গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১১ ছেপ্টেম্বৰ ২০২৬/২৪ ভাদ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২২ ● Vol - 15, Issue - 22

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# শতবৰ্ষত সংগীতসূৰ্য ভূপেন হাজৰিকাক স্মৰণ

**গুৱাহাটী ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিক উপলক্ষে গুণমুগ্ধ, শ্ৰদ্ধাশীল জনগণৰ পাৰভগা আৱেগৰ জোৱাৰে উদ্বেলিত কৰি তুলিলে সমগ্ৰ ৰাজ্যৰ পৰিৱেশ। ভূপেনদাৰ অসংখ্য কালজয়ী গীতৰ মূৰ্ছনাৰে মুখৰিত হ'ল ৰাজ্যৰ আকাশ-বতাহ। ৰাশি ৰাশি বন্তিৰ পোহৰে উজ্বলাই তুলিলে অসম শিল্পীগৰাকীৰ জালুকবাৰীত থকা অন্তিম শয়নথলী সমন্বয় তীৰ্থ, দীঘলীপুখুৰীৰ পাৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰকে ধৰি ৰাজ্যৰ অন্যান্য প্ৰান্ত। এনে আৱেগগধুৰ, স্মৃতিকাতৰ পৰিৱেশৰ মাজতে জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ জালুকবাৰীত থকা অন্তিম শয়নথলী-সমন্বয় তীৰ্থত চৰকাৰীভাৱে আয়োজিত হয় সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান। এই অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এলানি নতুন কাৰ্যসূচী ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰথমে সুধাকণ্ঠৰ সমাধিথলী আৰু প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেতন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা তৰ্পণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত ১০০ গৰাকী শিল্পীয়ে সমৱেতভাৱে পৰিৱেশন কৰে সুধাকণ্ঠৰ কালজয়ী গীত 'বিস্তীৰ্ণ পাৰৰে...'। তাৰ পিছত এই অনুষ্ঠানথলীৰ পৰাই মুখ্যমন্ত্ৰীয়ে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ কৰিবলগীয়া ড° ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ৰ আধাৰশিলা আভাসীয় ৰূপত স্থাপন কৰে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিক মূল বিষয়বস্তু হিচাপে লৈ নতুন প্ৰজন্মৰ মাজত আয়োজন কৰা সামাজিক মাধ্যমৰ 'ইনষ্টাৰীল' প্ৰতিযোগিতাৰো শুভাৰম্ভ কৰে। এই প্ৰতিযোগিতাৰ ব্ৰেণ্ড এম্বেছেডৰ হৈছে জনপ্ৰিয় শিল্পী জয় বৰুৱা। অনুষ্ঠানটোত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ এটি স্মাৰকো প্ৰদান কৰা হয় মুখ্যমন্ত্ৰীগৰাকীক। তাৰ পিছত অনুষ্ঠানটোত মুখ্য ৭ পৃষ্ঠাত




# জালুকবাৰী সমষ্টিৰ প্ৰতিটো নামঘৰলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বৰ মাহ প্ৰসাদ আৰু পিতলৰ শৰাই বিতৰণ



**ৰমেন ভৰালী,বংশৰ ঃ** পৱিত্ৰ ভাদ মাহ উপলক্ষে জালুকবাৰী সমষ্টিৰ বিমানকোঠ মণ্ডলৰ অন্তৰ্গত ধাৰাপুৰ, গড়ল, মাজিৰ গাঁও, আজাৰা, মিৰ্জাপুৰ, কাহিকুচি, পামহি অঞ্চলৰ বিভিন্ন নামঘৰলৈ অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰাইজলৈ প্ৰেৰণ কৰা আন্তৰিক শুভেচ্ছা বাণী, মাহ প্ৰসাদ আৰু অসমীয়া জাতিৰ চহকী সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীক পিতলৰ শৰাই ভক্তিপূৰ্ণভাৱে প্ৰদান কৰা হয়। অসমীয়া সমাজ-জীৱনত ভাদ মাহৰ এক বিশেষ আধ্যাত্মিক আৰু সাংস্কৃতিক তাৎপৰ্য আছে। এই পৱিত্ৰ মাহটোত নামঘৰ-কীৰ্তনঘৰত হৰি-নাম, প্ৰাৰ্থনা আৰু ভক্তিৰসেৰে মুখৰিত হৈ পৰে সমগ্ৰ অসম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাই প্ৰচাৰ কৰা একশৰণ নামধৰ্মৰ আদৰ্শ, ভাতৃত্ববোধ, শান্তি আৰু মানৱতাৰ বাণী আমাৰ সমাজ জীৱনৰ এক অমূল্য সম্পদ। এই উপলক্ষে নামঘৰসমূহত উপস্থিত হৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সচিব তথা ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই ভক্তপ্ৰাণ ৰাইজৰ সৈতে মত-বিনিময় কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ শুভেচ্ছা বাণী ৰাইজৰ মাজত আগবঢ়ায়। লগতে প্ৰসাদ আৰু ৭ পৃষ্ঠাত

# শিৱসাগৰত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত সন্মানিত কৰা হয় অৰ্জুন ভোগেশ্বৰ বৰুৱাক

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাজ্যিক ক্ৰীড়া দিৱসৰ উপলক্ষে অসমৰ কিংবদন্তি খেলুৱৈ তথা এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ী ভোগেশ্বৰ বৰুৱাক তেওঁৰ ৮৭ সংখ্যক জন্মদিনত নিজ বাসগৃহত সন্মানিত কৰা হয়। এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ বিষয়াসকলে এই ক্ৰীড়া তাৰকাগৰাকীৰ গৃহত উপস্থিত হৈ ভাৰতীয় এথলেটিকছলৈ তেওঁৰ আজীৱন উৎসৰ্গা আৰু ৭ পৃষ্ঠাত



# ১২, ১৩ ছেপ্টেম্বৰত উৰিয়াগাঁও মজলীয়া বিদ্যালয়ৰ শতবাৰ্ষিকীৰ ব্যাপক প্ৰস্তুতি

**নগাঁৱৰ বিশেষ প্ৰতিনিধি ঃ** জ্ঞানৰ পোহৰ বিলাই নাৰী শিক্ষাৰ এক শক্তিশালী ভেটি নিৰ্মাণ কৰা মধ্য অসমৰ প্ৰথমখন স্ত্ৰী শিক্ষাৰ অনুষ্ঠান উৰিয়াগাঁও বালিকা মজলীয়া বিদ্যালয়ে এই বৰ্ষত এশ বছৰত ভৰি দিলে। নানা ঘাত- প্ৰতিঘাতৰ মাজত গৌৰৱোজ্বল শতবৰ্ষ গৰকা এই বিদ্যালয়খনে ইতিহাসৰ স্বাক্ষৰ বহন কৰি আজিও উৰিয়াগাঁৱত ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষতে জ্ঞানৰ পোহৰ বিলাই আছে। এই বিদ্যালয়ৰ পৰা শিক্ষাগ্ৰহণ কৰা বহু ছাত্ৰীয়ে ৰাজ্যৰ বিভিন্ন স্থানত উচ্চপদস্থ পদত কাম কৰি বিদ্যালয়খনৰ সুনাম অটুট ৰখাৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৯২৬ চনত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনৰ গৌৰৱোজ্বল শতবাৰ্ষিকী উদ্‌যাপনৰ বাবে অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত দিন নিৰ্ধাৰণ কৰিছে উদ্‌যাপন সমিতিয়ে। মঙ্গলবাৰে এই বিষয়ক এক সংবাদমেলৰ আয়োজন কৰে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া আৰু প্ৰাক্তন ছাত্ৰীসকলে। বিশেষকৈ দূৰ-দূৰণিত কৰ্মৰত হৈ থকা প্ৰাক্তন ছাত্ৰীসকলে যাতে বিষয়টো অৱগত হৈ ৭ পৃষ্ঠাত

# ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ

**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ উদ্যোগত যোৱা ৮ চেপ্তেম্বৰত পুথিভঁৰাল প্ৰাংগণত ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীয়ে।



পুষ্পাঞ্জলি অৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক পৰমানন্দ দাস, কেন্দ্ৰীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনোমোহন দাস আৰু বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা নাট্যকাৰ কৰ্মী ৰমেশ দাসে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সম্পাদক মুকুট ঠাকুৰীয়া আৰু মন্টু গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত এটিকৈ ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে শিশু শিল্পী ৰাগ ঐনিতম ভৰালী, শিল্পী কবিতা গোস্বামী ৭ পৃষ্ঠাত

# নগাঁৱত নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ স্মৃতি দিৱস পালন ৰংমহলৰ

## বলিষ্ঠ অভিনয়েৰে মঞ্চস্থ 'ঠিকনা'ই মুহিলে দৰ্শকক



**জয়ন্ত মুদৈ, নগাঁও ঃ** নাট্যচৰ্চা আৰু প্ৰসাৰৰ মহান লক্ষ্যৰে ১৯৮৬ চনৰ কোনো এক শুভক্ষণত প্ৰতিষ্ঠা লাভ কৰা নগাঁও তথা অসমৰ অন্যতম অগ্ৰণী নাট্য সংগঠন 'ৰংমহল'ৰ দ্বাৰা বিগত ৪০ টা বৰ্ষৰ দৰে এইবছৰো নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ ৪১ তম পুণ্য স্মৃতি দিৱসটি যোৱা ৫ ছেপ্টেম্বৰত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদ্যাপন কৰা হয়। সেই মৰ্মে, অনুষ্ঠানত পোনতেই যুগুত কৰা বিস্তৃত কাৰ্যসূচীৰ 'ৰংমহল' শীৰ্ষক গীতটি পৰিৱেশনেৰে শুভাৰম্ভ কৰাৰ পিছতেই নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ লগতে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ কেইবাখনো জনপ্ৰিয় নাটৰ বিষয়ে আলোকপাত কৰে। তদুপৰি অনুষ্ঠানত 'ৰংমহল'ৰ প্ৰাৰম্ভিক কালৰ গুৰু কানু বেজবৰুৱা, অসমৰ জ্যেষ্ঠ নাট পৰিচালক পুণ্যদা বৰাকে প্ৰমুখ্য কৰি নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। উক্ত অনুষ্ঠানতে ৰাজ্যৰ মঞ্চ, অনাঁতাৰ আৰু চলচিত্ৰ জগতৰ যশস্বী অভিনেত্ৰী মনি বৰদলৈক ২০২৫ বৰ্ষৰ 'বিনা প্ৰসাদ উৎকৰ্ষ বঁটা' লাভ কৰাৰ বাবে অভিনন্দন জনোৱাৰ উপৰিও গুৱাহাটীৰ আৰোহণ আৰ্টিষ্ট গীল্ডৰ ২০২৬ বৰ্ষৰ 'আৰোহণ সমন্বয় শিল্পী বঁটা' প্ৰাপ্ত বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা গগন চৌধৰীক বিশেষভাৱে অভিনন্দন জনোৱা হয়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ আঁত ধৰে 'ৰংমহল'ৰ সভাপতি, নাট্যকাৰ, অভিনেতা, পৰিচালক তথা নাট্য সংগঠক পৱিত্ৰ প্ৰাণ শৰ্মাই। ইয়াৰ পিছতেই জিলা পুথিভঁৰালৰ মঞ্চত অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী লক্ষ্যধৰ চৌধৰীৰ ৰচনা আৰু পৱিত্ৰ প্ৰাণ শৰ্মাৰ সুদক্ষ পৰিচালনাত 'ঠিকনা' নাটখনি প্ৰদৰ্শন কৰা হয়। এদল অভিজ্ঞ নাট্যশিল্পীৰ বলিষ্ঠ আৰু মনপৰশা অভিনয়ত বেছ উপভোগ্য হৈ উঠা নাটখনিৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰে নৱ কুমাৰ বৰুৱা, প্ৰশান্ত শৰ্মা, অংগনা বৰদলৈ, মনোজ শৰ্মা, পংকজ ভাগৱতী, প্ৰসন্ন কুমাৰ বেজবৰুৱা, শোণিত কুমাৰ বৰা, দিলীপ শিৰোমণি লস্কৰ আৰু শিশু শিল্পী অয়নাভ বৰাই। নেত্ৰ কমল বৰাৰ সুন্দৰ আবহ সংগীতেৰে অধিক গতিশীল কৰি তোলা নাটখনিৰ মঞ্চসজ্জা গগন চৌধৰীৰ, পোহৰ ৰাজেন ফুকনৰ, ৰূপসজ্জা প্ৰকাশ বৰাৰ আৰু শব্দ উৎপল ভূঞাৰ। উল্লেখ্য যে, অহা ২৮ ছেপ্টেম্বৰত উদ্যাপিত হ'ব লগা 'ৰংমহল'ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সেই দিনা সন্ধিয়া নগাঁও জিলা পুথিভঁৰালৰ মঞ্চতেই খগেন কুমাৰ গায়নৰ ৰচনা আৰু ভৱজিৎ কুমাৰ শইকীয়াৰ পৰিচালনাৰে 'ফৰিং পালেগৈ ৰতনপুৰ' নামৰ ব্যতিক্ৰমী স্বাদৰ এখনি নাট মঞ্চস্থ কৰা হ'ব বুলি 'ৰংমহল'ৰ তৰফৰ পৰা জানিবলৈ দিছে।

# বৰপেটাত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা জিলা আয়ুক্তৰ



**প্ৰসন্ন নাথ, বৰপেটা ৰোড ঃ** বৰপেটা জিলাৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতি সম্পৰ্কে বৰপেটা জিলাৰ জিলা আয়ুক্ত শ্ৰী নৰদীপ পাঠকে এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। পৰ্যালোচনা বৈঠকখনত জিলা আয়ুক্ত গৰাকীয়ে লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, কৃষি, শিক্ষা, স্বাস্থ্য, জলসিঞ্চন, সমাজ কল্যাণ আৰু অন্যান্য গুৰুত্বপূৰ্ণ উন্নয়নমূলক বিভাগসমূহৰ মুৰব্বীসকলৰ পৰা চলি থকা আঁচনিসমূহৰ অগ্ৰগতি আৰু ৰূপায়ণৰ স্থিতি সম্পৰ্কে সবিশেষ বুজ লয়। শ্ৰী পাঠকে বিভাগীয় মুৰব্বীসকলক আঁচনিসমূহৰ ৰূপায়ণৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু চলি থকা কামসমূহ খৰতকীয়া কৰিবলৈ নিৰ্দেশ দিয়ে। সময়মতে কাম সম্পূৰ্ণ কৰা, গুণগত মান আৰু আবণ্টিত পুঁজিৰ সঠিক ব্যৱহাৰৰ ওপৰতো তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি, সমস্যাসমূহ দূৰ কৰি উন্নয়নমূলক আঁচনিসমূহৰ প্ৰকৃত সুবিধা যাতে অতি সোনকালে ৰাইজৰ ওচৰ পায়গৈ, তাৰ বাবে আন্তঃবিভাগীয় সমন্বয় ৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়েও তেওঁ উল্লেখ কৰে। এই বৈঠকত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীমতী দিতিমণি পেগু, বৰপেটাৰ জিলা উন্নয়ন আয়ুক্ত শ্ৰীমতী গীতালী দুৱৰা, অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল আৰু বৰপেটা জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। বৰপেটা আৱৰ্ত ভৱনৰ সন্মিলন কক্ষত এই পৰ্যালোচনা বৈঠকখন অনুষ্ঠিত হয়।

# বিশিষ্টা লেখিকা, কবি দীপা বৰা দত্তৰ 'নতুন প্ৰভাত' নামৰ এখন কবিতা পুথি উন্মোচন কৰে মৃণালিনী দেৱীয়ে



**ৰমেন ভৰালী, বংশৰ ঃ** ৰাইটাৰ্ছ ফৰামৰ উদ্যোগত যোৱা ৬ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত বিশিষ্টা লেখিকা, কবি দীপা বৰা দত্তৰ 'নতুন প্ৰভাত' নামৰ এখন কবিতা পুথি উন্মোচন কৰা হয়। পুথিখন উন্মোচন কৰে বিশিষ্ট সু-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি শ্ৰদ্ধাৰ আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীয়ে। গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সু-সাহিত্যিক তথা আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ আদৰ্শ মাতৃ মৃণালিনী দেৱীয়ে ভাষণ প্ৰসংগত কয় যে প্ৰাচীন কবিতা আৰু আধুনিক কবিতাৰ মাজত পাৰ্থক্য কি বুলি সোধা প্ৰশ্নৰ উত্তৰ এনেদৰেই আমি দিব খোজো যে কবিতা হ'ল মানৱ মনৰ কল্পনা ৰাশিত ধৰা দিয়া বাস্তৱ চিত্ৰপটৰ শাব্দিক শৃঙ্খলাৰ এক চিত্ৰকল্প। পৃথিৱীৰ শ্ৰেষ্ঠতম পণ্ডিত, কবি সকলৰ অন্যতম প্লেটোৱে কৈ থৈ গৈছে যে 'চিন্তানো কি বস্তু? চিন্তা হৈছে মানুহৰ আত্মাৰ লগত এক কথোপকথন। অৰ্থাৎ মনটোৰ লগত ভাৱৰ বিনিময় অথবা আলাপ-আলোচনা। অৱশ্যে কবিতা কাব্যিকতা, শব্দৰ চন্দ আৰু সাৱলীল গতিৰ ওপৰত আমি কোনো নিজা মত প্ৰকাশ কৰি সেই ধৃষ্টতা দেখুওৱাৰ মন নাই যদিও ক'ব খুজিছো কবিতাই হ'ল কবিৰ যথাৰ্থ পৰিচয়। অৱশ্যে প্ৰাচীন কালতে কবিতাৰ উদ্ভৱ হৈছিল ভাৰতবৰ্ষৰ বিখ্যাত ওমসা নদীৰ বুকুত ব্যাধ-বিদ্ধ মৈথুনৰত এহাল ক্ৰৌঞ্চ অৰ্থাৎ কৰচনা পখীৰ মাইকী পক্ষী জনীৰ যন্ত্ৰণা কাতৰ ক্ষমতা যেনে- 'মা নিষাদ' প্ৰতিষ্ঠাংত্বম গম শাশ্বতী সমাঃ। সৎ ক্ৰৌঞ্চঃ মিঠুনা দেকম, অৱধী, কাম মোহিতম। এই শ্লোক ফাকিয়েই হ'ল' ৰামায়ন মহাকাব্যৰ আৰম্ভণি তথা পৃথিৱীৰ প্ৰথম কবিতা। ৰামায়ণ মহাকাব্যৰ ৰচক মহা মুনি বাল্মিকীৰ মুখৰ পৰা ওপৰত লিখা শ্লোকটি নিসৃত হৈছিল। এই শ্লোকটিৰ পংক্তি দুটাই পাঠক আৰু কবিগৰাকীৰ মাজত এক মহাসেতুৰ সন্ধান দিয়ে। কবি সকলক সেয়ে স্ৰষ্টা আৰু দ্ৰষ্টা বুলি কোৱা হয় বুলি কয়।

# নগাঁৱৰ পশ্চিমাঞ্চলত ড্ৰাগছ আসক্তৰ টিঘিলঘিলনি

## বৃদ্ধি পাইছে অপৰাধজনিত ঘটনা, সঘনাই হোৱা চুৰিকাণ্ডই শংকিত কৰিছে গঞাৰাইজক

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বৃহত্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাৰ বিভিন্ন স্থানত বিগত কেইমাহমানৰ পৰা সঘনে চুৰিকাৰ্য সংঘটিত হৈ আহিছে। উক্ত গ্ৰামাঞ্চলবোৰত নিশাৰ কথা বাদেই দিনৰ পোহৰতে বহুকেইটা চুৰি ঘটনা সংঘটিত হোৱাৰ বিপৰীতে খুদ থানাৰ নিচেই কাষতে থকা কেইবাখনো দোকানতো চুৰিকাণ্ড সংঘটিত হোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কিছুদিনৰ পূৰ্বে থানাখনৰ সন্মুখত থকা এখন গেলামাল আৰু এখন সোনাৰী দোকানত চোৰে লুটপাত চলায়। আনকি, আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি মাত্ৰ কেইদিনমান পূৰ্বে যিখন দোকানত চুৰি হৈছিল, সেইখনত মাত্ৰ এসপ্তাহৰ ভিতৰত তিনিবাৰকৈ চুৰিকাণ্ড সংঘটিত হোৱাৰ পিছতো আৰক্ষীয়ে চোৰৰ সন্ধান উলিয়াব নোৱাৰাটো এতিয়া সচেতন মহলত চৰ্চাৰ বিষয় হৈ পৰিছে। সেইদৰে যোৱা শিক্ষক দিৱসৰ দিনা পুৱাৰ ভাগত কাছমাৰী-শিমলুতল সংযোগী পথৰ হাঁহচ'ৰাত পথৰ ওপৰতে স্কুটীত আহি অহা এগৰাকী শিক্ষয়িত্ৰীক বাইকত যোৱা তিনি চেমনীয়া উদণ্ড যুৱকে শাৰীৰিকভাৱে অপদস্থ কৰিছিল। ইয়াৰ মাজতে শেহতীয়াকৈ থানাখনৰ পৰা প্ৰায় দুশ মিটাৰ দূৰত থকা চলচ্চিত্ৰ পৰিচালক তথা বি এম বি নিউজৰ পৰিচালন সঞ্চালক বুন বৰাৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে ঘৰত প্ৰৱেশ কৰি গডৰেজ ভাঙি নগদ ৮০ হাজাৰ টকা, সোনৰ আঙঠি আৰু ৰূপৰ কিছু সম্পদ লৈ উধাও হোৱা ঘটনাই ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভুক্তভোগী বুন বৰাই জানিবলৈ দিয়া মতে, এনেদৰে বৃদ্ধি পাই অহা চুৰিকাৰ্যৰ বিপৰীতে থানাখনৰ আশে-পাশে সন্দেহজনক যুৱক তথা ড্ৰাগছ আসক্ত আৰু সুৰাসক্ত তৰুণ প্ৰজন্মই পৰিৱেশন বিনষ্ট কৰি আহিছে যদিও জাজৰি আৰক্ষীয়ে সিহঁতৰ কৰ্মকাণ্ডক নিয়ন্ত্ৰণ কৰি ৰাইজক আশ্বস্ত কৰিব পৰা নাই। কিয়নো, দিনক দিনে জাজৰি থানাৰ এলেকাধীন গ্ৰামাঞ্চলবোৰত বাঢ়ি অহা অপৰাধজনিত ঘটনাই এতিয়া গঞাৰাইজক শংকিত কৰি তোলা দেখা গৈছে। যাৰ ফলত ঘৰৰ ভিতৰতে নিজৰ সম্পত্তিৰ নিৰাপত্তা নোহোৱা আৰু বাহিৰত উশৃংখল প্ৰজন্মৰ অসামাজিক আচৰণ আদি প্ৰত্যক্ষ কৰি শান্তি প্ৰিয় ৰাইজৰ মাজত আৰক্ষীৰ প্ৰতি বিশ্বাস ভংগহে হ'বলৈ ধৰিছে। সেয়ে, জাজৰি আৰক্ষীয়ে এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা লৈ অপৰাধী চক্ৰৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰাৰ লগতে পেট্ৰলিঙৰ ব্যৱস্থা কৰি অপৰাধী সকলক সমাজ আৰু ৰাজপথলৈ আহিব নোৱাৰাকৈ নাকা বন্দী কৰি গঞা ৰাইজৰ নিৰাপত্তাৰ দিশটো সুদৃঢ় কৰি সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ স্থানীয় অঞ্চলবাসী সৰ্বস্তৰৰ জনতাই দাবী জনাইছে।

# শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত বিশ্ব সাক্ষৰতা দিৱস পালন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত ৮ ছেপ্টেম্বৰত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিশ্ব সাক্ষৰতা দিৱস উদযাপন কৰা হয়। শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ড° দীপুল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় বিভাগৰ সহযোগী অধ্যাপক ৰঞ্জিত টাকুৰে। অনুষ্ঠানত মুখ্য অতিথি তথা সমল ব্যক্তি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন মুৰব্বী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জগত স্বৰ্গীয়াৰীয়ে এক মনোগ্ৰাহী আৰু দিকদৰ্শী ভাষণ প্ৰদান কৰে। তেওঁ ভাষণ প্ৰসংগত বিশ্বই মুখামুখি হোৱা সাম্প্ৰতিক সংকটসমূহৰ ওপৰত গভীৰ উদ্বেগ প্ৰকাশ কৰে। সমল ব্যক্তিগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে কেৱল আনুষ্ঠানিকভাৱে সভা-সমিতি অনুষ্ঠিত কৰি দিৱস পালন কৰিয়েই মানৱ সমাজৰ পৰা নিৰক্ষৰতা, অজ্ঞতা আৰু দৰিদ্ৰতা দূৰ কৰিব নোৱাৰি। তেওঁ কয় যে বৰ্তমান সময়ত গোলকীয় উষ্ণতা বৃদ্ধি, দ্ৰুত পৰিৱেশ ধ্বংস আৰু মানৱ জাতিৰ নৈতিক মূল্যবোধৰ তীব্ৰ অৱক্ষয় এক গুৰুতৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই জটিল সমস্যাসমূহৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু মানৱ সমাজক প্ৰকৃত অৰ্থত সমৃদ্ধিশালী কৰি তুলিবলৈ হ'লে প্ৰতিজন সচেতন নাগৰিকে স্বাৰ্থহীনভাৱে কাম কৰিব লাগিব।

# ড° গুপ্তজিৎ পাঠকক 'আনন্দৰাম বৰুৱা সৰস্বতী সম্মান ২০২৬' বঁটা প্ৰদান



**গুৱাহাটী ঃ** গুৱাহাটীৰ গীতানগৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ড° গুপ্তজিৎ পাঠকক সন্মানীয় 'আনন্দৰাম বৰুৱা সৰস্বতী সম্মান ২০২৬' প্ৰদান কৰা হয়। যোৱা ৭ ছেপ্টেম্বৰত গুৱাহাটীৰ উজানবজাৰস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত আয়োজিত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান 'সুধাকণ্ঠ পদধূলি.. ' শীৰ্ষক অনুষ্ঠানতে এই বঁটা আয়োজক সমিতিয়ে অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰে। উল্লেখ্যযোগ্য যে যোৱা ২৫ জুলাইত উত্তৰ প্ৰদেশৰ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ (BHU) বৈদিক বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত দ্বিতীয় ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ ২০২৬ ৰ ৩ সংখ্যক 'সীতা সেন্দূৰ স্মাৰক' ৰাষ্ট্ৰীয় আলোচনা সভাত ড° পাঠকে প্ৰদান কৰা 'Srimanta Sankaradeva's Ramayanic Literature and the Ramayana Traditions of India and Southeast AsiaÊ. A Comparative Historical Study' (শ্ৰীমন্ত শংকৰদেৱৰ ৰামায়ণভিত্তিক সাহিত্য আৰু ভাৰত তথা দক্ষিণ-পূব এছিয়াৰ ৰামায়ণ পৰম্পৰা ঃ এক তুলনামূলক ঐতিহাসিক অধ্যয়ন) শীৰ্ষক গৱেষণামূলক বক্তৃতা প্ৰদান কৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানটিৰ গুৱাহাটীৰ অন্যতম সাংস্কৃতিক শৈক্ষিক ন্যাস প্ৰতিষ্ঠানৰ লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ সহযোগী শ্ৰেষ্ঠ আধ্যাত্মিক সংগঠন বঁটা, ২০২৫ ৰ বঁটাৰে সন্মানিত গৱেষণা সংস্থা ইণ্ডিজেনাছ ৰামা ৰিৰ্ছাচ ফাউণ্ডেচনৰ উদ্যোগত দক্ষিণ-পূব এছিয়া মাধৱ কন্দলি ৰামায়ণ মিলন সভা আৰু উত্তৰ-পূব ভাৰতীয় ৰামায়ণ প্ৰাৰ্থনা সমাজে আয়োজন কৰিছিল। অসমৰ ৰামায়ণী সাহিত্য সন্দৰ্ভত আয়োজিত 'সীতা সেন্দূৰ' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা সভাত অংশগ্ৰহণ কৰা বক্তা, গৱেষকসকলক ২০২৫ চনৰে পৰা পণ্ডিত আনন্দৰাম বৰুৱাৰ স্মৰণত ন্যাসে প্ৰদান কৰি আহিছে। গুৱাহাটীৰ উজানবজাৰস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'আনন্দৰাম বৰুৱা সৰস্বতী সম্মান ২০২৬'ৰ মানপত্ৰ গ্ৰহণ কৰাৰ মুহূৰ্তত ড° গুপ্তজিৎ পাঠক। ঐতিহাসিক আৰু সাংস্কৃতিক গৱেষণাক উৎসাহিত কৰাৰ বাবে লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ পৰিচালন ন্যাসৰক্ষী, নৃ-তাত্বিক গৱেষক ৰাজীৱ হৰি কৌশিকৰ বলিষ্ঠ সাংগঠনিক নেতৃত্বত ইতিমধ্যে অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ'ৰ শতবৰ্ষীয় ইতিহাস গৱেষণা আৰু বৃহৎ কলেবৰৰ গ্ৰন্থ প্ৰণয়ন কৰাৰ লগতে তেওঁৰ গৱেষণাই অসমৰ জাতীয় সংগীতৰ প্ৰকৃত সুৰৰ সন্ধান দিছে। ২০২০ চনৰে পৰা গৱেষক কৰ্মী ৰাজীৱ হৰি কৌশিকে ৭০০ বছৰীয়া অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণৰ এগৰাকী নিষ্ঠাৱান গৱেষক, প্ৰচাৰক আৰু ৰাষ্ট্ৰীয় সংগঠক ৰূপে ৰাষ্ট্ৰীয় কাৰ্যসূচী ৰূপায়িত কৰি আহিছে। উত্তৰ-পূব ভাৰতৰ আঞ্চলিক ভাষাৰ ৰামায়ণৰ মৌখিক-লোককলা আৰু সাহিত্যৰ পৰম্পৰা সংৰক্ষণ, চৰ্চা আৰু পুনৰুজ্জীৱিত কৰাৰ বাবে সক্ৰিয়ভাৱে গৱেষক কৌশিকে কাম কৰি আহিছে। উল্লেখযোগ্য যে ড° গুপ্তজিৎ পাঠকৰ লগতে উক্ত অনুষ্ঠানতে ২০২৬ বৰ্ষৰ আন দুগৰাকী ৰামায়ণী গৱেষক ৰাষ্ট্ৰীয় বক্তা গুৱাহাটীৰ অধ্যাপক ড° ভৱৰঞ্জন শৰ্মা আৰু শিলচৰ ড° দেৱযানী ভট্টাচাৰ্যকো 'পণ্ডিত আনন্দৰাম বৰুৱা সৰস্বতী সম্মান ২০২৬' বঁটা প্ৰদান কৰে।

# প্ৰিয় শিল্পী ড° ভূপেন হাজৰিকাৰ বিষয়ে একলম

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

প্ৰিয় শিল্পী ড° ভূপেন হাজৰিকা দেৱক শ্ৰদ্ধাৰে সোঁৱৰিলো। এগৰাকী নিভাঁজ অসমীয়া, অসমৰ সুযোগ্য সন্তান আছিল যাক সংগীতৰ সূৰ্য্য আখ্যা দিয়া হয়। বিশ্ব বৰেণ্য ব্যক্তি সুৰৰ যাদুকৰ হিচাপে বিশ্ববাসীৰ আগত পৰিচিত। তেখেত আমাৰ মাজত নাথাকিলেও তেওঁৰ স্মৃতি চিৰ যুগমীয়া হৈ থাকিব সকলোৰে হৃদয়ত। তেখেতৰ প্ৰতিটো গীতেই হৃদয়ক আলোড়িত কৰি তোলে।

ভাৰত ৰত্ন বিভূষিত অসমৰ সুযোগ্য সন্তান, বিৰল প্ৰতিভাৰ অধিকাৰী, সুকোমল হৃদয়, যাৰ অন্তৰত মানুহৰ প্ৰতি অসীম মৰমৰ থূপ খাই আছিল। তেওঁ এনে এজন ব্যক্তি যি জনে নিজৰ বাদ্যযন্ত্ৰ আদিৰে সহযোগ কৰা সকলক বন্ধুৰ দৰে ব্যৱহাৰ কৰাৰ উপৰিও তেওঁলোকৰ বিপদ আপদত সহায় হাত আগবঢ়াইছিল। সেই আদৰ্শ তেওঁ মাতৃ শান্তিপ্ৰিয়া হাজৰিকা আৰু পিতৃ নীলকান্ত হাজৰিকাৰ দ্বাৰা লাভ কৰিছিল। এই কাৰণে তেখেতৰ প্ৰতিটো গানত মানৱতাৰ অনুভৱ বিচাৰি পাওঁ।

তেখেতে কলম্বিয়া বিশ্ব বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। বিদেশত কিছুদিন কৰ্মৰত হৈ নিজৰ পৰা খৰছো উলিয়াইছিল বুলি তথ্য পাইছোঁ কিন্তু তাত শিক্ষাগ্ৰহণ কৰি ভাৰতলৈ ঘূৰি আহি অসম তথা ভাৰতৰ বায়ুপানী নিজকে একাত্ম কৰি সংগীত সৃষ্টি কৰি গৈছিল কিন্তু শিল্পী হিচাপে তেখেতে সেই মূল্য জীৱিত কালত হয়তো নেপালে।

তথ্য মতে তেখেতে বহুতো মঞ্চত গীত পৰিৱেশন কৰিছিল কিন্তু নিজাকৈ লোকচান হৈছিল। তথাপিও অসমক ভালপোৱা মানুহজনে নিজৰ কৰ্মৰাজি কৰি গৈছিল। তেখেতে ৰাজনীতি পথাৰতো নামি পৰিছিল কিন্তু তাত মন নবহাত সেই ঠাই ত্যাগ কৰিছিল। আনকি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপেও নিয়োজিত হৈছিল। সহজ সৰল মনৰ মানুহজনে অধ্যাপকৰ চাকৰি এৰি কলিকতালৈ গৈ তাত আকৌ শিল্পী সংগীত পৰিচালক হিচাপে নিজকে গঢ়ি তুলিবলৈ সক্ষম হৈছিল। তেনেকৈ জনসাধাৰণৰ শিল্পী হৈয়ে গোটেই জীৱন পাৰ কৰিছিল।

তেখেতৰ সকলো গীত ভাল লাগে কিন্তু তাৰে ভিতৰত মোৰ অতিকৈ প্ৰিয় গীত এই দুটি---- প্ৰেৰণাৰে ভৰা মনলৈ এক স্নিগ্ধীয়া অনুভৱ বিচাৰি পাওঁ।

বুকু হম হম কৰে মোৰ আই
কোনে নিয়া হ'ব মোৰ আই
পুত্ৰ হ'ই মই কি মতে তৰো
আই তোৰে হ'ই মই মৰো।
অ' বিদেশী বন্ধু দুৰ্ভগীয়া
আজি কিয়নো বন্ধু অকলশৰীয়া।

এই গীতবোৰত লুকাই আছে, তেওঁৰ অসমীয়া মানুহ জাতিৰ প্ৰতি থকা মৰম আৱেগৰ পৰিচয় ইয়াৰো উপৰি তেওঁ পৰিচালনা কৰা অসমীয়া-হিন্দী চলচ্চিত্ৰবোৰ যেনে- পিয়লী ফুকন, চিকমীক বিজুলী, অশান্ত গ্ৰহৰ, এৰাবাটৰ সুৰ, গজগামিনী, ৰ'দালি ইত্যাদিৰ সুন্দৰ অৱদানেৰে অসমীয়া জাতিক অসমীয়া ভাষা, সাহিত্য সংস্কৃতিত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গৈছে। মুম্বাই থাকিও অসমৰ সকলো খবৰ ৰাখিছিল।

তেখেতক সুৰৰ সম্ৰাট বিভিন্ন ভাষাৰ ওপৰত আনৰ সংগীতৰ আলোকেৰে, জয়যাত্ৰা কৰা মহান পুৰুষ আছিল। তেখেতৰ সৃষ্টিৰাজি ইতিহাসত জিলিকি থাকিব চিৰদিন চিৰকাললৈ—

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে কামৰূপত জিলা পৰ্যায়ৰ সামৰণি অনুষ্ঠান



**পঙ্কজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম-শতবাৰ্ষিকী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি মঙ্গলবাৰে কামৰূপ জিলাত দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয়ত আয়োজিত এই অনুষ্ঠানৰ জৰিয়তে অসমৰ বৰেণ্য শিল্পীগৰাকীৰ অমৰ সৃষ্টি, বৰ্ণাঢ্য জীৱন, জীৱন-দৰ্শন আৰু মানৱতাৰ বাণীক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। দিনজোৰা কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অনুষ্ঠানত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ দাস আৰু কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সুধাকণ্ঠগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্তসকল তথা জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। ইয়াৰ পিছতে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত থকা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি মহান শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানত বিধায়ক প্ৰকাশ দাসৰ লগতে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্তসকল আৰু অন্যান্য বিষয়া-কৰ্মচাৰীসকল তথা ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি উপস্থিত ৰাইজ আৰু বিষয়া-কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে এক মানৱ-শৃংখল গঠন কৰি সুধাকণ্ঠৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমৱেতভাৱে পৰিৱেশন কৰা হয়। ইয়াৰ জৰিয়তে মহান শিল্পীগৰাকীয়ে তেওঁৰ সৃষ্টিৰাজিৰ মাজেৰে প্ৰচাৰ কৰা মানৱতা, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ চিৰন্তন বাৰ্তাক স্মৰণ কৰা হয়। ইয়াৰ পিছত বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয়ত বছৰজোৰা জন্ম-শতবাৰ্ষিকী উদযাপনৰ জিলা পৰ্যায়ৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয় আৰু মহাবিদ্যালয় চৌহদত উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অতিথি আৰু ৰাইজৰ অংশগ্ৰহণেৰে এক মানৱ-শৃংখল গঠন কৰি সমৱেত কণ্ঠত 'মানুহে মানুহৰ বাবে' গীতটি পৰিৱেশন কৰা হয়।অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে উপস্থিত সকলোকে আদৰণি জনায়। তেওঁ উল্লেখ কৰে যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা কেৱল অসমৰ এগৰাকী মহান শিল্পী নাছিল; তেওঁৰ সংগীত, সাহিত্য, চলচ্চিত্ৰ আৰু বিশাল সৃষ্টিৰাজিৰ মাজেৰে মানৱতা, সামাজিক সম্প্ৰীতি আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰ এক শক্তিশালী বাৰ্তা প্ৰতিফলিত হৈছিল। জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে ড° ভূপেন হাজৰিকাৰ গীতসমূহে অসমৰ সীমা অতিক্ৰম কৰি ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ সৃষ্টি আৰু আদৰ্শ নতুন প্ৰজন্মৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক মহান শিল্পীগৰাকীৰ জীৱন, কৰ্ম আৰু আদৰ্শৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিৰ মাজেৰে মানুহক মানুহৰ সৈতে সংযোগ কৰাৰ যি শক্তিশালী বাৰ্তা প্ৰতিফলিত হৈছে, সেয়া সমাজৰ বাবে আজিও সমানেই প্ৰাসংগিক বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই বক্তব্য প্ৰদান কৰি ড° ভূপেন হাজৰিকাৰ অসমীয়া সংস্কৃতি, সংগীত আৰু ভাষাৰ প্ৰতি অতুলনীয় অৱদানৰ কথা উল্লেখ কৰে। তেওঁ কয় যে সুধাকণ্ঠগৰাকীৰ অসাধাৰণ প্ৰতিভা আৰু সৃষ্টিশীলতাই অসমৰ সাংস্কৃতিক পৰিচয়ক ভাৰত আৰু বিশ্বৰ দৰবাৰত এক বিশেষ মৰ্যাদা প্ৰদান কৰিবলৈ সক্ষম হৈছিল।

# ডাছোৱানী ক্লাছে উদ্‌যাপন কৰা বাৰ্ষিক সমাৰোহৰ সফল সামৰণি




**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰতি বৰ্ষৰ দৰে এইবাৰো প্ৰৱেশিকা মূলক পৰীক্ষাৰ ক্ষেত্ৰত এখন আগশাৰীৰ শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছে খগেণ মহন্ত প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা বাৰ্ষিক সমাৰোহ সফলতাৰে সম্পন্ন হৈ যায়। উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি এ. জে. চিকিৎসালয় আৰু হেল্ড প্লেনেট চিকিৎসালয়ৰ স্বত্বাধিকাৰী তথা বিশিষ্ট সমাজ সেৱক ডাঃ ছফিকুল ইছলামে শিক্ষানুষ্ঠানখনত অধ্যয়নত ছাত্ৰ-ছাত্ৰীসকলক এগৰাকী দায়িত্বশীল নাগৰিক হ'বলৈ উচ্চাস-উদ্দীপনা তথা সু-পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানতে ডাছোৱানী ইনষ্টিটিউটৰ পৰা ২০২৬ বৰ্ষত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৯৫ শতাংশ নম্বৰেৰে কৃতিত্ব অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰী 'নিকিতা হাজৰিকাক স্বৰ্গীয় 'সোণমাই বৰা সোঁৱৰণী' বঁটাৰে সন্মানিত কৰা হয়। বঁটাটিত এখন গামোছা, পঁচিছ হাজাৰ টকাৰ চেক আৰু এখনি মানপত্ৰ প্ৰদান কৰে শিক্ষানুষ্ঠান খনৰ পৰিচালনা সঞ্চালক ড° প্ৰাঞ্জল কুমাৰ বৰাই। আনহাতে শিক্ষানুষ্ঠানখনত অধ্যয়নত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমৰ সৃষ্টি বৰগীত, আৰু সত্ৰীয়া নৃত্যৰে সাংস্কৃতিক মঞ্চ শুভাৰম্ভণি কৰা হয়।

# বৰপেটাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠান



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বৰপেটা জিলা প্ৰশাসনে অসমৰ বৰেণ্য শিল্পী, সংগীতজ্ঞ, সুৰকাৰ তথা চলচ্চিত্ৰ নিৰ্মাতা ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰে। যিগৰাকী সুধাকণ্ঠৰ সংগীতে আজিও প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে, সেই মহান শিল্পীগৰাকীৰ কালজয়ী স্মৃতিত বৰপেটা জিলা প্ৰশাসনে তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শতবাৰ্ষিকী উদ্‌যাপনৰ মূল কাৰ্যসূচী বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত হয়। কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰীসকলে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি কৰাৰ পিছতেই এই অনুষ্ঠানৰ শুভাৰম্ভ হয়। ইয়াৰ পিছতে দিব্যাংগ শিল্পী শ্ৰীমনোজ কলিতাই ড° হাজৰিকাৰ কালজয়ী গীত 'অসম আমাৰ ৰূপহী' পৰিৱেশন কৰাৰ লগে লগে সমগ্ৰ গৃহটি ভূপেন্দ্ৰ সংগীতেৰে মুখৰিত হৈ পৰে। হাজৰিকাদেৱৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী তথা শিল্পী শ্ৰী উৎপল দাসে কালজয়ী শিল্পীগৰাকীৰ জীৱন আৰু কৃতিৰ বিষয়ে ভাষণ প্ৰদান কৰে। তেওঁ ড° হাজৰিকাৰ শৈশৱ, কলাত্মক যাত্ৰা আৰু অসমীয়া সংস্কৃতি তথা সংগীত জগতলৈ আগবঢ়োৱা অপূৰ্ব অৱদানৰ কথা আলোকপাত কৰে। বৰপেটাৰ অতিৰিক্ত জিলা আয়ুক্ত (সাংস্কৃতিক) প্ৰাঞ্জল প্ৰতিম কোঁৱৰে ড° হাজৰিকাৰ জীৱনৰ বহুটো স্মৰণীয় ঘটনা ৰোমন্থন কৰি উপস্থিত ৰাইজক মহান শিল্পীগৰাকীৰ ব্যক্তিত্বৰ এক বিশেষ আভাস প্ৰদান কৰে। অনুষ্ঠানৰ শেষত উপস্থিত সকলোৱে একত্ৰিত হৈ ড° ভূপেন হাজৰিকাৰ অন্যতম কালজয়ী তথা মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰতীকমূলক গীত 'বিস্তীৰ্ণ পাৰৰে' সমস্বৰে পৰিৱেশন কৰে। বৰপেটা জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া বিদ্যুৎ বিকাশ দাসে এই সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে। জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশস্বৰূপে বৰপেটা জিলাৰ সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান প্ৰতিষ্ঠানতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান তথা সাংস্কৃতিক কাৰ্যসূচীৰে ড° ভূপেন হাজৰিকাৰ অসমীয়া সমাজ আৰু ভাৰতীয় সংস্কৃতিলৈ থকা অভূতপূৰ্ব অৱদানক স্মৰণ কৰা হয়। ইয়াৰ ভিতৰত জিলা বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত দক্ষিণ বৰপেটা বিদ্যামন্দিৰ স্কুলত ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতিৰ ওপৰত আধাৰিত এক জিলা ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ শদিয়াত জন্মগ্ৰহণ কৰা ড° ভূপেন হাজৰিকা ভাৰতৰ অন্যতম শ্ৰেষ্ঠ সাংস্কৃতিক কাণ্ডাৰী আছিল। অসমৰ জনজীৱন আৰু প্ৰাকৃতিক দৃশ্যপটৰ সৈতে গভীৰভাৱে জড়িত তেওঁৰ গীতবোৰে মানৱতা, ভ্ৰাতৃত্ববোধ, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সহানুভূতিৰ বিশ্বজনীন বাৰ্তা বহন কৰিছিল। 'সুধাকণ্ঠ' নামেৰে প্ৰসিদ্ধ এই মহান শিল্পীগৰাকীৰ সৃষ্টিৰাজি ভাষা আৰু ভৌগোলিক সীমা অতিক্ৰমি সাৰ্বজনীন হৈ পৰিছিল। ড° ভূপেন হাজৰিকাক ১৯৯২ চনত দাদাচাহেব ফাল্কে বঁটাৰে ভূষিত কৰা হৈছিল আৰু ২০১৯ চনত মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্ৰদান কৰা হয়।

# বংশৰত সনাতন বৈশ্যৰ ভিডিঅ' উন্মোচনৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ যাত্ৰা গ্ৰাম্য পুথিভঁৰাল, বংশৰৰ উদ্যোগত আৰু বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ সহযোগত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে যোৱা ৬ ছেপ্তেম্বৰত এখন বিশেষ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে ড° হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰাৰ লগতে তেওঁৰ বৰ্ণিল জীৱন, সংগীত সাধনা আৰু সংগীত জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ ওপৰত ৰবীন পাঠকে লিখা অসমীয়া ইংৰাজী আলেখ্য এখন সফল ৰূপায়ণ কৰে ছাত্ৰী টানিছা ভৰালী আৰু নিশাস্মিতা বৈশ্যই। বংশৰ ভৃঙ্গেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী সৃষ্টি কে বৈশ্য আৰু এঞ্জেলছ ইংলিছ স্কুলৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী ৰিয়াশ্ৰী ভৰালীয়ে ইংৰাজীত বক্তব্য ৰাখে। অনুষ্ঠানত হাজৰিকাৰ গীত পৰিৱেশন কৰে সনাতন বৈশ্য, নিশাস্মিতা বৈশ্য, মুনমী দাস, ৰাগ ঐনিতম ভৰালী, ভাস্কৰজ্যোতি দাস, জগদীশ দাসে। অনুষ্ঠানত বক্তাসকলে কয় যে ড° হাজৰিকা কেৱল এগৰাকী গায়ক বা সংগীতজ্ঞই নাছিল, তেওঁ আছিল মানৱতা, সম্প্ৰীতি, সাম্য আৰু সামাজিক চেতনাৰ এগৰাকী মহান কণ্ঠ। শিক্ষক, শিল্পী সনাতন বৈশ্যৰ 'সুধাকণ্ঠ তুমি হাজৰিকা' শীৰ্ষক গীতৰ ভিডিও উন্মোচন অনুষ্ঠানটোৰ বিশেষ আকৰ্ষণ হিচাপে পৰিগণিত হয়। এই ভিডিঅ'টি উন্মোচন কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগিতা অধ্যাপক অতুল চন্দ্ৰ দাস দেৱে। উপস্থিত ৰাইজে ভিডিঅ'টোৰ শলাগ লয়। গীত, আলোচনা আৰু স্মৃতি ৰোমন্থনেৰে অনুষ্ঠিত হোৱা এই গাম্ভীয্যপূৰ্ণ অনুষ্ঠানটোৱে এক আৱেগঘন পৰিৱেশন সৃষ্টি কৰে। যাত্ৰা গ্ৰাম্য পুথিভঁৰালৰ এই সুন্দৰ পদক্ষেপে সুধাকণ্ঠৰ সৃষ্টি আৰু আদৰ্শক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰে। এই অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়াই ৰবীন পাঠকে আৰু আঁতধৰে বংশৰ ভৃঙ্গেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জিলা কৃতি শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই। সভাত পূৱ বংশৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ধ্ৰুৱজ্যোতি মালাকৰ, শিক্ষয়িত্ৰী বিজয়া দাস, অৱসৰপ্ৰাপ্ত শিক্ষক ধনীৰাম বৈশ্য, শিক্ষক নিত্যানন্দ নাথ, সুভাষ চন্দ্ৰ বৈশ্য, শিক্ষক তৰুণ দাস, তিলক বৈশ্য, ব্ৰজেন বৈশ্য, অমিয় কুমাৰ, জগন্নাথ ভূঞা উপস্থিত থাকে।

# অনুবাদৰ জৰিয়তে অসমীয়া-তামিল সাহিত্যৰ সেঁতু সুদৃঢ় কৰাৰ প্ৰয়াস

## গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বৈষ্ণৱ সাহিত্যৰ ধ্ৰুপদী তামিললৈ অনুবাদৰ ১৫ দিনীয়া কৰ্মশালা




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম আৰু তামিলনাডুৰ মাজত থকা সাহিত্য আৰু সাংস্কৃতিক সম্পৰ্ক অন্বেষণ কৰাৰ উদ্দেশ্যে পণ্ডিত, অনুবাদক, শিক্ষক আৰু শিক্ষাৰ্থীসকলক একত্ৰিত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত বুধবাৰৰ পৰা 'ধ্ৰুপদী অসমীয়া বৈষ্ণৱ সাহিত্যৰ ধ্ৰুপদী তামিললৈ অনুবাদ' শীৰ্ষক এখনি বিশেষ কৰ্মশালা অনুষ্ঠিত হৈছে। আচলতে, ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীনস্থ চেন্নাইৰ চেণ্ট্ৰেল ইনষ্টিটিউট অৱ ক্লাছিকেল তামিল চমুকৈ চি আই চি টি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ যৌথ উদ্যোগত আয়োজিত এই কৰ্মশালাৰ জৰিয়তে অসমৰ চহকী বৈষ্ণৱ সাহিত্যৰ ঐতিহ্যক ধ্ৰুপদী তামিললৈ অনুবাদ কৰি দুয়োটা অঞ্চলৰ মাজত এক গুৰুত্বপূৰ্ণ সাহিত্যিক সেঁতু গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। উল্লেখ্য যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টিৰাজিয়ে মূলতঃ অসমৰ এক সুকীয়া বৈষ্ণৱ সাহিত্যিক পৰম্পৰাক গঢ় দিছে। তেওঁলোকৰ সাহিত্যকৰ্ম, ভক্তিমূলক দৰ্শন, গীত, নাট্য কৰ্ম আৰু ধৰ্মীয় লেখাসমূহে অসমৰ সাংস্কৃতিক পৰিচয় গঢ়ি তোলাত এক গভীৰ ভূমিকা পালন কৰিছে। সেয়ে, এই গ্ৰন্থসমূহৰ ধ্ৰুপদী তামিললৈ অনুবাদে তামিল পণ্ডিত আৰু পাঠকসকলক অসমৰ বৌদ্ধিক, আধ্যাত্মিক আৰু সাহিত্যিক ঐতিহ্যৰ সৈতে একাত্ম হোৱাৰ সুযোগ প্ৰদান কৰিব আৰু দুয়োটা অঞ্চলৰ ভক্তি পৰম্পৰাৰ তুলনাত্মক অধ্যয়নত সহায় কৰিব। কিয়নো, তামিলনাডুতো ভক্তি সাহিত্যৰ এক দীঘলীয়া আৰু প্ৰভাৱশালী পৰম্পৰা আছে। আলৱাৰ আৰু নায়নমাৰসকলৰ ভক্তিমূলক ৰচনাসমূহে তামিল ধৰ্মীয় সাহিত্য, সংগীত, মন্দিৰৰ পৰম্পৰা আৰু সাংস্কৃতিক অনুশীলনলৈ স্থায়ী অৱদান আগবঢ়াইছে। বিশেষকৈ আলৱাৰ আৰু নালায়িৰা দিব্য প্ৰবন্ধমৰ সৈতে জড়িত বৈষ্ণৱ ভক্তিমূলক গ্ৰন্থসমূহে তামিল বৈষ্ণৱ সাহিত্য সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ ভেটি প্ৰতিনিধিত্ব কৰে। একেদৰে এই কৰ্মশালাই ভাৰতৰ ভিন্ন ভৌগোলিক অঞ্চলত গঢ় লৈ উঠা অথচ বহুতো ব্যাপক সাংস্কৃতিক আৰু সাহিত্যিক বৈশিষ্ট্যৰ মিল থকা দুটা গুৰুত্বপূৰ্ণ ভক্তি পৰম্পৰাক একত্ৰিত কৰিছে। দুয়োটা পৰম্পৰাই ভক্তিমূলক সাহিত্য, সংগীত আৰু শৈল্পিক প্ৰকাশৰ জৰিয়তে সমাজৰ বহল শ্ৰেণীৰ মাজত আধ্যাত্মিক আৰু নৈতিক চিন্তাধাৰা কঢ়িয়াই নিয়াৰ সামৰ্থ্য প্ৰদৰ্শন কৰে। ইফালে, কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননী গোপাল মহন্তই অসম আৰু তামিলনাডুৰ বৈষ্ণৱ পৰম্পৰাৰ মাজত থকা গভীৰ সাংস্কৃতিক আৰু বৌদ্ধিক সম্পৰ্কৰ কথা উল্লেখ কৰে। চি আই চি টিৰ সঞ্চালক অধ্যাপক আৰ চন্দ্ৰশেখৰণে চেন্নাইৰ পৰা শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁ ধ্ৰুপদী তামিল আৰু ভাৰতীয় ভাষাৰ ক্ষেত্ৰত কাম কৰা পণ্ডিত আৰু প্ৰতিষ্ঠানসমূহৰ মাজত ধাৰাবাহিক শৈক্ষিক সহযোগিতাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অধ্যাপক দিলীপ বৰাই আদৰণী ভাষণ প্ৰদান কৰা আৰু ড° ধূৰ্জ্জটী শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট বৈষ্ণৱ পণ্ডিত দয়ানন্দ পাঠকে ভাষণ প্ৰসংগত ভাৰতৰ অন্যতম প্ৰধান ধ্ৰুপদী ভাষা হিচাপে তামিল ভাষাৰ প্ৰাচীনতা আৰু চহকী বৈশিষ্ট্যৰ কথা উল্লেখ কৰে। তেওঁ তামিল আৰু অন্যান্য ভাৰতীয় ভাষাসমূহৰ মাজত সাহিত্য বিনিময়ৰ দীঘলীয়া ইতিহাসৰ কথা উল্লেখ কৰাৰ লগতে মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ অনুবাদৰ তাৎপৰ্য সোঁৱৰণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক ড° বি বিজয় কুমাৰে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত জ্যেষ্ঠ অধ্যাপক, অনুবাদক, গৱেষক আৰু বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী উপলক্ষে কণ কণ শিশু সকলৰ মাজত শ্ৰীকৃষ্ণৰ ভাওত ভেশচন প্ৰতিযোগিতা



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ অঞ্চলৰ আমবাড়ী শ্ৰীশ্ৰী গোপাল থান সত্ৰৰ সোণালী জয়ন্তী মহোৎসৱৰ বৰ্ষজোৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি যোৱা ৪ ছেপ্তেম্বৰত শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী উপলক্ষে কণ কণ শিশু সকলৰ মাজত শ্ৰীকৃষ্ণৰ ভাওত ভেশচন প্ৰতিযোগিতাৰ আয়োজন কৰে। এই শ্ৰীকৃষ্ণৰ ভেশচন প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিশিষ্ট লেখক, সাংবাদিক তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালীয়ে। শ্ৰীকৃষ্ণৰ ভাওত অনুষ্ঠিত ভেশচন প্ৰতিযোগিতাত প্ৰায় ১৪ গৰাকী শিশুৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকে গোপাল থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি পিতৰাম দাস, সম্পাদক প্ৰদীপ দাস, গোপাল থান সত্ৰৰ সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি নগেন দাস, সম্পাদক পংকেশ্বৰ দাস, সাংস্কৃতিক সম্পাদক জিন্টু দাস, শিক্ষক তিলক দাস আদি উপস্থিত থাকে। প্ৰতিযোগিতাত পুৰস্কাৰ লাভ শিশু সকলক প্ৰাইজমানি বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। শ্ৰীকৃষ্ণৰ ভেশচন প্ৰতিযোগিতাখনিত পুৰস্কাৰ লাভ কৰে ক্ৰমে প্ৰথম পুৰস্কাৰ লাভ কৰে প্ৰিয়াংশী দাস, দ্বিতীয় পুৰস্কাৰ লাভ কৰে অনায়া দাস, তৃতীয় পুৰস্কাৰ লাভ কৰে দিচান দাস, চতুৰ্থ পুৰস্কাৰ লাভ কৰে মৃন্ময় মৃত্তিক দাস, পঞ্চম পুৰস্কাৰ লাভ কৰে জিয়ান দাস, ষষ্ঠ পুৰস্কাৰ লাভ কৰে দৰ্শিল বৈশ্য, সপ্তম পুৰস্কাৰ লাভ কৰে জ্যোতিৰাদ্ৰীত্য মানাস আৰু অষ্টম পুৰস্কাৰ লাভ কৰে প্ৰিয়ম জ্যোতি ৰাজবংশীয়ে।

# ডিব্ৰুগড়ৰ চৰকাৰী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী, স্ত্ৰী শিক্ষা বিস্তাৰৰ পথিকৃত প্ৰয়াত গৌৰীপ্ৰভা চলিহাৰ জীৱনী উন্মোচন

## পিনাকী শৰ্মাক গৌৰি প্ৰভা চলিহা শৈক্ষিক সোঁৱৰণী বঁটা



**ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ অগ্ৰগামী মহিলা সন্মিলনৰ উদ্যোগত উজনি অসমত স্ত্ৰী-শিক্ষা বিস্তাৰৰ অন্যতম পথিকৃৎ, অবিভক্ত অসমৰ প্ৰথমখন চৰকাৰী বালিকা বিদ্যালয় 'ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়'ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰয়াত গৌৰী প্ৰভা চলিহাৰ ১২৬ সংখ্যক জন্ম-দিৱস ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ত ৫ ছেপ্তেম্বৰত অনুষ্ঠিত হৈ যায়। আৰাধনা দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বলন কৰে গৌৰী প্ৰভা চলিহাৰ প্ৰাক্তন ছাত্ৰী ডিব্ৰুগড় ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা লখিমী নেওগে। মাধৱদেৱৰ বিৰচিত এটি বৰগীত পৰিৱেশন কৰে সুগায়িকা নীলিমা বৰদলৈয়ে। সভানেত্ৰীসহ বিশিষ্ট ব্যক্তিসকলক মঞ্চলৈ আহ্বান জনায় সহ সম্পাদিকা মানসী বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা জোনালী খাউণ্ডে। সভানেত্ৰীৰ আদৰণী ভাষণত আৰাধনা দত্তই অগ্ৰগামীৰ গঠনমূলক কামৰ খতিয়ান দাঙি ধৰে আৰু প্ৰয়াত গৌৰী প্ৰভা চলিহাৰ দৰে ১৯২১ চনতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি, এ মহলাত গণিতত সৰ্বোচ্চ নম্বৰ লাভ কৰি আশুতোষ মুখাৰ্জী স্বৰ্ণপদকৰ লগতে বছৰটোৰ শ্ৰেষ্ঠ ছাত্ৰৰ স্বৰ্ণপদক লাভ কৰা গৌৰীপ্ৰভাৰ দৰে এগৰাকী বিদূষী নাৰী, আদৰ্শৱান শিক্ষয়িত্ৰীক সমাজে পাহৰি পেলোৱাটো অতি হতাশাজনক বুলি অভিমত দিয়ে। অগ্ৰগামীয়ে সেয়েহে গৌৰী প্ৰভাৰ তিনিগৰাকী নাতিনীৰ সৌজন্যত গৌৰীপ্ৰভাই শিক্ষকতা কৰি যোৱা ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্কুলখনৰ সমূহ ছাত্ৰীৰ ভিতৰত সৰ্বোচ্চ মূল্যাংক লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰীগৰাকীক শিক্ষাব্ৰতী গৌৰী প্ৰভা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰিছে সভাৰ মূল বক্তৃতা প্ৰদান কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা বিশিষ্ট লেখিকা ড° ভাৰতী দত্তই। ভাষণত তেওঁ গৌৰী প্ৰভাৰ মেধা, প্ৰশাসনিক দক্ষতা আৰু উৎকৃষ্ট শিক্ষাদান পদ্ধতিৰ কথা উল্লেখ কৰে। গৌৰি প্ৰভা চলিহাৰ চৌত্ৰিছ বছৰ জোৰা শিক্ষাদানৰ কালছোৱাত তেওঁ বহু ভৱিষ্যতৰ আদৰ্শ গৃহিণী, আদৰ্শ ব্যক্তি আৰু সৎ নাগৰিক সৃষ্টি কৰিলে বুলি তেওঁ উল্লেখ কৰে। বিশিষ্ট অতিথি শিশু বন্ধু প্ৰসেনজিৎ কুমাৰ গোস্বামীয়ে আৰাধনা দত্তই ৰচনা কৰা 'গৌৰী প্ৰভা' নামৰ গৌৰী প্ৰভা চলিহাৰ এখন চমু জীৱনী উন্মোচন কৰি গ্ৰন্থখনিক বেজবৰুৱাৰ ভাষাৰে কয় গৌৰী প্ৰভা পুথিখনি সৰু কিন্তু সোণৰ। ভৱিষ্যতৰ গৱেষকসকলক এই পুথিখনে যথেষ্ট সহায় কৰিব। এনে এখন পুথি ৰচনা কৰা বাবে তেওঁ লেখিকা আৰাধনা দত্তৰ শলাগ লয়। ৰাধাকৃষ্ণণ জুনিয়ৰ কলেজত অধ্যয়ন কৰি থকা পিনাকি শৰ্মাক গৌৰীপ্ৰভা চলিহা সোঁৱৰণী শৈক্ষিক বঁটা, ২০২৫ প্ৰদান কৰা হয়। বঁটাত আছে নগদ ধন,স্মাৰক, চাৰ্টিফিকেট আৰু কিতাপ। বঁটা গ্ৰহণ কৰি পিনাকি শৰ্মাই আনন্দ প্ৰকাশ কৰে। এই বঁটাই তেওঁক অধিক ভাল ফলাফল অৰ্জন কৰিবলৈ উৎসাহিত কৰিব বুলিও ছাত্ৰী গৰাকীয়ে কয়। দাতাৰ পৰিয়ালৰ পৰা কাবেৰী চলিহা, ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুদক্ষিণা দাস আৰু ৰেণু ফুকনৰ বক্তব্য আগবঢ়ায়। শলাগ জ্ঞাপন কৰে ড° দীপাঞ্জনা দত্ত দাসে।

# যোৰহাটত 'ক্ৰিকেটকোষ'ৰ উদ্যোগত ১৩ ছেপ্টেম্বৰত সদৌ অসম ভিত্তিত ক্ৰিকেট কুইজ

**দীপ জ্যোতি কাকতি ঃ** যোৰহাট নগৰৰ 'মহাপুৰুষ শংকৰদেৱ কলা কৃষ্টি আৰু গৱেষণা কেন্দ্ৰ'ত 'ক্ৰিকেটকোষ'ৰ উদ্যোগত ক্ৰমাগত তৃতীয় বৰ্ষৰ বাবে সদৌ অসম ভিত্তিত দুখনকৈ ক্ৰিকেট কুইজ প্ৰতিযোগিতা ১৩ ছেপ্টেম্বৰ, দেওবাৰে আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, পুৱা ১০ বজাৰ পৰা দশম শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয় পৰ্যায়ৰ প্ৰাইজমানি লিখিত ক্ৰিকেট কুইজ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাখন পৰিচালনা কৰিব কামৰূপ বকোৰ কুইজ মাষ্টাৰ বাসুদেৱ দাস আৰু যোৰহাটৰ প্ৰাঞ্জল শইকীয়াই। বিদ্যালয় পৰ্যায়ৰ কুইজত অংশগ্ৰহণৰ বাবে কোনো যোগদান মাচুল নাই। ইয়াত শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰথম তিনিটা দললৈ ক্ৰমে ১৫০০ টকা, ১০০০ টকা আৰু ৫০০ টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱা হ'ব। আনহাতে, দিনৰ ১২ বজাৰ পৰা সদৌ অসম ভিত্তিত মুকলি ক্ৰিকেট কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই বিশেষ প্ৰতিযোগিতাখন পৰিচালনা কৰিব জনপ্ৰিয় কুইজ মাষ্টাৰ তথা 'দৈনিক অসম' কাকতৰ উপ-সম্পাদক দীপাংকৰ কৌশিকে। প্ৰতিযোগিতাৰ এটা দলত সৰ্বোচ্চ দুজন সদস্য থাকিব পাৰিব যদিও এককভাৱেও অংশগ্ৰহণৰ সুবিধা থাকিব। মুকলি কুইজৰ যোগদান মাচুল হৈছে ২০০ টকা। এই শাখাত শ্ৰেষ্ঠ তিনিটা দললৈ ক্ৰমে ৮,০০০ টকা, ৬,০০০ টকা আৰু ৪,০০০ টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱাৰ লগতে চূড়ান্ত পৰ্যায়লৈ নিৰ্বাচিত (ফাইনেলিষ্ট) আন তিনিটা দলকো পুৰস্কৃত কৰা হ'ব। তদুপৰি, উপস্থিত শ্ৰেষ্ঠ দৰ্শকৰ বাবেও বিশেষ পুৰস্কাৰৰ ব্যৱস্থা ৰখা হৈছে। এই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ তথা ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ ক্ৰীড়া সংগঠক ননী দত্তই। বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব টীয়ক বিধানসভা সমষ্টিৰ বিধায়ক বিকাশ শইকীয়া। ইয়াৰ উপৰিও বিশিষ্ট অতিথি হিচাপে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী, সম্পাদক জুল খাউণ্ড আৰু 'আমাৰ অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰমেন শইকীয়া উপস্থিত থাকিব। প্ৰতিযোগিতা সম্পৰ্কীয় সবিশেষ তথ্য জানিবলৈ ইচ্ছুক প্ৰতিযোগীসকলে ৮৬৩৮৭-৬৩২৪৫ আৰু ৯৭০৬৬-৪১৬৭০ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তামণ্ডলীয়ে জানিবলৈ দিছে।

# তেজ দিম, কিন্তু বটদ্ৰৱা থানা নিদিওঁ

## গুৰুজনাৰ জন্মভূমিত জন্মাষ্টমীৰ দিনাই ভকত-বৈষ্ণৱ, আইমাতৃৰ উত্তাল প্ৰতিবাদ



**জয়ন্ত মুদৈ, নগাঁও ঃ** 'তেজ দিম, কিন্তু বটদ্ৰৱা থানা নিদিওঁ।' এই শ্ল'গানেৰে মুখৰিত হ'ল গুৰুজনাৰ পৱিত্ৰ জন্মভূমি। আচলতে, ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনটোতে প্ৰতিবাদত বহিল বটদ্ৰৱা থানৰ ভকত-বৈষ্ণৱ আৰু আইমাতৃসকল। উল্লেখ্য যে, সমষ্টি পুনৰ্নিৰ্দ্ধাৰণৰ লগে লগে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ ওপজাভূমিৰ পৰা প্ৰথমে বটদ্ৰৱা সমষ্টি, তাৰ পিছৰে পৰা ক্ৰমান্বয়ে বটদ্ৰৱা উন্নয়ন খণ্ড, বটদ্ৰৱা জিলা পৰিষদ, বটদ্ৰৱা সত্ৰ গাঁও পঞ্চায়ত আদি স্থানান্তৰ কৰা হয়। কিন্তু এয়াই নহয় এতিয়া আকৌ বৃহত্তৰ এলেকাটোৰ শান্তি-শৃংখলা আৰু ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাৰ বাবে থকা বটদ্ৰৱা আৰক্ষী থানাখনো হেৰাই য়োৱাৰ উপক্ৰম ঘটিছে। কিয়নো সমষ্টি পুনৰ্নিৰ্দ্ধাৰণৰ অচিলাতেই সমষ্টি ভিত্তিক আৰক্ষী থানা অন্তৰ্ভুক্ত হোৱাৰ পিছত শেহতীয়াকৈ ৰাজ্য চৰকাৰে বটদ্ৰৱা থানকে ধৰি ঐতিহ্যমণ্ডিত শলগুৰি, নৰোৱা সত্ৰ এলেকা জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত হোৱাৰ নিৰ্দেশনা জাৰি কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত বটদ্ৰৱা নামটো হেৰাই যোৱাৰ উপক্ৰম ঘটাত উপায়হীন হৈ এনেদৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দৰে পৱিত্ৰ দিনটোতে গুৰুজনাৰ স্মৃতিবিজড়িত ঐতিহ্যমণ্ডিত কীৰ্তনঘৰৰ সন্মুখত সমৱেত হৈ তীব্ৰ প্ৰতিবাদত বহিল ভকত-বৈষ্ণৱ আৰু আইমাতৃসকল। সত্ৰৰ নামলগোৱা, গায়ন বায়ন, সূত্ৰধাৰ, পালিদেউৰী, হাটিমতা, মুক্তিয়াৰকে প্ৰমুখ্য কৰি বিষয়ববীয়া সকলৰ লগতে শলগুৰি, নৰোৱা সত্ৰৰ ৰাইজে সংঘবদ্ধভাৱে সাব্যস্ত কৰা এই প্ৰতিবাদী কাৰ্যসূচীত সকলোৱে একেলগে 'মুখ্যমন্ত্ৰী মহোদয়, আমাক আমাৰ অস্তিত্ব ঘূৰাই দিয়ক। মিঞাৰ সন্ত্ৰাসৰ পৰা ৰক্ষা পাবলৈ আমাক বটদ্ৰৱা থান দিয়ক।' বুলি দাবী জনায়। আনকি এই প্ৰতিবাদত অংশ লোৱা ক্ষুভিত ভকত-বৈষ্ণৱসকলে তেওঁলোকৰ দাবী মানি নল'লৈ প্ৰয়োজনত চৰকাৰৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিম বুলিও হুংকাৰ প্ৰদান কৰে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দৰে চিৰস্মৰণীয় দিনটোতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ জন্মভূমিৰ ভকত-বৈষ্ণৱ, আইমাতৃসকলে সাব্যস্ত কৰা এই প্ৰতিবাদে সৰ্বত্ৰে ব্যাপক চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে।

# শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু আটমাৰ অধীনত কৃষক-বিজ্ঞানীৰ মত-বিনিময় অনুষ্ঠান সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** কৃষকসকলক কৃষি বিষযক জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰাৰ লগতে আধুনিক কৃষি পদ্ধতিৰ ওপৰত পৰিচিত কৰাৰ উদ্দেশ্যৰে শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু আটমাৰ অধীনত যোৱা ৫ ছেপ্তেম্বৰত জিলা কৃষি ভৱনত এক কৃষক-বিজ্ঞানী মত-বিনিময় অনুষ্ঠিত সম্পন্ন হয়। উক্ত অনুষ্ঠানত কৃষি আৰু সংশ্লিষ্ট ক্ষেত্ৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত কৃষকসকলক সজাগ কৰা হয়। অনুষ্ঠানটিত কৃষি বিজ্ঞান কেন্দ্ৰ (KVK)-ৰ পশুপালন বিশেষজ্ঞ ডাঃ অনুপানন্দ গোস্বামীয়ে পশুধন ব্যৱস্থাপনা আৰু উন্নত পশুপালন পদ্ধতিৰ বিষয়ে কৃষকসকলক বিস্তৃতভাৱে অৱগত কৰে। ইয়াৰ লগতে KVK-ৰ উদ্যানশস্য বিশেষজ্ঞা ডাঃ শুভশ্ৰী দিহিঙীয়াই উচ্চ মূল্যৰ শস্যৰ খেতি, লগতে কীট-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণৰ আধুনিক পদ্ধতি সম্পৰ্কে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত শিৱসাগৰ জিলা কৃষি বিষয়া অমৃত শইকীয়াই তেলপাম (Oil Palm) খেতিৰ সম্ভাৱনা, ইয়াৰ পৰিসৰ আৰু কৃষকসকলে তেলপাম খেতিৰ জৰিয়তে লাভ কৰিব পৰা সুবিধাসমূহৰ বিষয়ে বক্তব্য আগবঢ়ায়। আনহাতে, সহকাৰী কৃষি সঞ্চালক গণেশ পহুচুঙীয়ে কৃষকসকলক FFS ( Framework for fertilizer sale) সাৰ কিনাৰ ব্যৱস্থাৰ বিষয়ে সজাগ কৰি কৃষকসকলৰ মাজত ব্যৱহাৰিক আৰু অংশগ্ৰহণমূলক কৃষি জ্ঞান বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, নতুন ব্যৱস্থা অনুসৰি এতিয়াৰে পৰা শিৱসাগৰ জিলাৰ কৃষকসকলে ৰাসায়নিক সাৰ ক্ৰয়ৰ বাবে FFS মোবাইল এপৰ জৰিয়তে আৱেদন কৰিব লাগিব। এই নতুন প্ৰণালীৰ জৰিয়তে কৃষিক্ষেত্ৰত সাৰৰ সুষম আৰু বৈজ্ঞানিক ব্যৱহাৰ নিশ্চিত কৰাৰ লগতে অতিৰিক্ত সাৰ প্ৰয়োগ আৰু অপচয় ৰোধ কৰাত সহায় হ'ব। ইয়াৰ ফলত মাটিৰ স্বাস্থ্য সংৰক্ষণ, কৃষি উৎপাদন বৃদ্ধি আৰু দীৰ্ঘম্যাদীভাৱে বহনক্ষম কৃষি ব্যৱস্থা গঢ়ি তোলাতো ইতিবাচক ভূমিকা পৰাৰ লগতে অনুষ্ঠানটোৱে কৃষকসকলৰ মাজত আধুনিক কৃষি প্ৰযুক্তি, উচ্চ মূল্যৰ শস্য, পশুধন ব্যৱস্থাপনা আৰু বিকল্প কৃষি উদ্যোগৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত আটমাৰ উপ-প্ৰকল্প সঞ্চালক ৰুনীমা মিলি, সহকাৰী কৃষি সঞ্চালক ৰুমী বৰাৰ লগতে অনান্য বিষয়া কৰ্মচাৰীসকলো উপস্থিত থাকে। অনুষ্ঠানত ৫০ জনতকৈ অধিক কৃষকে বিভাগীয় বিষয়া তথা বিশেষজ্ঞাসকলৰ লগত মত বিনিময়ত অংশগ্ৰহণ কৰে।

## হে শিক্ষা গুৰু ৰাধাকৃষ্ণণ

**ছেলিমা বেগম**
জিলা- নগাঁও

হে নমস্য শিক্ষা গুৰু ৰাধাকৃষ্ণণ,
পাঁচ চেপ্তেম্বৰ তাৰিখে তোমাক
স্মৰণ কৰোঁ আমি।
তোমাৰ আদৰ্শ পালন কৰি
শিক্ষা আছে আজিও আগবাঢ়ি।
দিছিলা তুমি জ্ঞানৰ পোহৰ
বিলাই শিক্ষা জগতত
সূৰ্য্যৰ লগত তোমাক তুলনা
কৰিলে ভুল নহ'ব।
সূৰ্য্যৰ পোহৰত আমি
তেনেকৈ বাট দেখিব পাৰি
তুমি দেখুৱাই দিছিলা সেই শিক্ষাৰ পোহৰ।
এজন আদৰ্শ শিক্ষক, দাৰ্শনিক পণ্ডিত
হৈ জগত জিলিকি দেখুৱাই দিলা,
ছাত্ৰ-ছাত্ৰীৰ মন জয় কৰাই
আছিল তোমাৰ মূল উদ্দেশ্য।
ৰাজনৈতিক জগতত তোমাৰ
নাম নুই কৰিব নোৱাৰিম।
হে জ্ঞানৰ আলম হে শিক্ষাৰ পূজাৰী
হে সৰ্বপল্লী ৰাধাকৃষ্ণণ
ডাঙৰীয়া তোমাৰ জন্মদিনত
ভাৰতবৰ্ষৰ সকলো মিলি
পালন কৰোঁ শিক্ষক দিৱস।
**ম'বাইল ঃ ৮৮২২৫-১৫১৯৫**

## প্ৰিয় নাৰী গৰাকী

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

আপুনিয়ে মোৰ
প্ৰিয় নাৰী
জানো ভালকৈ
স্পষ্টবাদীতা আপোনাৰ
অনন্য এক সুকীয়া
পৰিচয়,

হে প্ৰিয় নাৰী
আপোনালৈ
শতকোটি প্ৰণাম
জনালোঁ
যুগে যুগে
যুগজিতাহৈ
জিলিকি থাকক
সেউজীয়াৰ সেউজ
কোমল পাতত,

মন ভৰে
আপোনাৰ সুৱদী কোমল
দৰদী কণ্ঠত

হে প্ৰিয় নাৰী
আপুনিয়েই জানো নহয়
সেই সৃষ্টিৰূপা
আপুনিয়েই জানো নহয়
অনন্যা বিশ্বৰূপা
কেনেকৈ কৰোঁ আজি
আপোনাৰ গুণৰ বৰ্ণনা
ৰৌদ্ৰোজ্বল আকাশত
জিলিকি উঠা
আপুনিয়েই নহয় জানো
মোৰ প্ৰিয়
সকলোৰে আদৰৰ
নাম যাৰ
পুস্পলতা, পুস্পলতা, পুস্পলতা।

## জ্ঞানৰ আলোকদূত

**উৰিশ্মা নাথ**
গৰুখুটি

ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ আছিল ৰাষ্ট্ৰপ্ৰধান
শিক্ষাগুৰুক কৰিছিল তেওঁ অগাধ সন্মান,
এডাল মমবাতি হৈ নিজে জ্বলি শিক্ষকসকলে
অজ্ঞান আন্ধাৰ নাশী পোহৰ বিলালে সকলোকে।
আমাৰ পৰমগুৰু শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী
তেওঁলোকেই আমাৰ শক্তি জ্ঞানদায়িনী,
পিতৃ-মাতৃস্বৰূপ আমাৰ শিক্ষাগুৰুসকল
যাৰ পৰা পাওঁ আমি জ্ঞানৰ পোহৰ।
ছাৰসকল যদি খেতিয়ক পঢ়াশালি খেতিপথাৰ
শস্যৰূপী শিষ্য আমি গুৰি ধৰে শিক্ষাৰ,
কৰে চেষ্টা তেওঁলোকে আমাক গঢ়াৰ
লয় যতন সদায় আমাক পঢ়াৰ।
ধৈৰ্য যত্ন মৰমেৰে আমাক পঢুৱাই
যাবলৈ শিকাই সদায় আগুৱাই,
আমাৰ শিক্ষাগুৰুসকল সঁচাকৈয়ে বেলেগ
তেওঁলোকৰ নিজ নিজ গুণৰ নাই লেখ।
জ্ঞানৰ জ্যোতিৰে জ্যোতিস্মান শিক্ষাগুৰু আমাৰ
যুগে যুগে শিক্ষাদানেৰে কৰি তোলে আমাক মহান,
শিক্ষাগুৰু অবিহনে ছাত্ৰ জীৱন অন্ধকাৰ
কৰযোৰে কৰোঁ শিক্ষাগুৰুক শতকোটি প্ৰণাম।

## শ্ৰীকৃষ্ণ সৰ্বশক্তিমান

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

সৃষ্টিৰ প্ৰতিটো কোণত
তোমাৰেই অস্তিত্ব অনুভৱ কৰোঁ,
সৰ্বত্ৰতে বিয়পি থকা
তুমিয়েই ভগৱান শ্ৰীকৃষ্ণ।

আন্ধাৰ যেতিয়া গভীৰলৈ গতি কৰে
আশাৰ পোহৰ যেতিয়া হেৰাই যাব খোজে
তেতিয়াই শ্ৰীকৃষ্ণৰ নামটোৱে
মনত সাহস জগাই তোলে।

কাৰাগাৰৰ অন্ধকাৰত জন্মলাভ কৰিও
তেওঁ পোহৰৰ বাণী বিলালে,
অন্যায়ৰ বিৰুদ্ধে থিয় হৈ
ধৰ্মৰ পথ দেখুৱালে।

হে সৃষ্টিকৰ্তা, ভগৱান শ্ৰীকৃষ্ণ,
তোমাৰ বাঁহীৰ সুৰত
আজিও আমি বিচাৰি পাওঁ
শান্তিৰ এক নতুন ঠিকনা।

দুখত ভাঙি পৰা লোকক
তুমিয়েই আশাৰ পোহৰ দেখুওৱা,
জীৱনৰ প্ৰতিটো কঠিন মুহূৰ্তত
তোমাৰ নামৰ উচ্চাৰণেই সাহস হৈ পৰে।
আমাৰ অন্তৰত সদায় তুমিয়েই বিৰাজ কৰা
তোমাৰ বাণীৰে অন্ধকাৰ আঁতৰি যায়
হৃদয়ৰ কোণত পোহৰ নামি আহে
হে শ্ৰীকৃষ্ণ, তুমিয়েই সৰ্বশক্তিমান।

## সময় থমকি নৰয়

**টোলন তাছা**
চিকনি বৰহোলা, নগাঁও

মৰুভূমিত বাৰু কোনোবাই
হেৰুৱা বেজি এটা বিছাৰি ফুৰেনে?
মৰুময় সময় কাৰোৰে বাবে থমকি নৰয়
জীয়াই থকাৰ হেঁপাহ নাই বুলি
কোনে বাৰু কয়?
বয়সে ভটিয়াই যাওঁতে অতৃপ্ত আশাবোৰ
সযতনে বুকুত সাবটি লৈ
নীৰৱে নিথৰে অকলশৰে থাকিবলৈ
কিহৰনো ভয়?
দিন ৰাতি নহয় নিয়তিৰ নতুন খেলা
কোনেনো চাব বিচাৰে ইয়াত দুখৰ মেলা
এটা জীৱনে সচাঁকৈ পূৰাব পাৰিবনে বাৰু
অশান্ত মনৰ এসোপামান অন্তহীন আশা?
**ম'বাইল ঃ ৮৪৮৬০-৬৮৩৯০**

## হে সুধাকণ্ঠ

**মৰমী আহমেদ**

হে সুধাকণ্ঠ,
আকৌ আহিবা নে তুমি
সুৰৰ পৃথিৱীত
মায়াজাল ৰচিবলৈ?
আহিবা নে তুমি
শুই পৰা অসমী আইৰ বুকুত
আকৌ এবাৰ
গাবলৈ প্ৰকৃতিৰ গান?

কোৱা না তুমি,
নিতাল হৈ পৰা
গীতৰ পৃথিৱীখনত
আকৌ কেতিয়া বাজিব
তোমাৰ সেই চিনাকি সুৰ?

তোমাৰ কণ্ঠৰ প্ৰতিটো শব্দত
আমি জীৱন বিচাৰি পাইছিলোঁ,
তোমাৰ গীতৰ প্ৰতিটো সুৰত
আমি অসমক অনুভৱ কৰিছিলোঁ

আজিও সেই সুৰ আছে
গীত আছে, কিন্তু কিয় জানো
তোমাৰ কণ্ঠটি নথকাৰ বাবে
সুৰৰ মাজতো বিচাৰি পাইছোঁ
এটি গভীৰ শূন্যতা

ব্ৰহ্মপুত্ৰৰ ঢৌৱে
আজিও যেন সুধে
'সুধাকণ্ঠ ক'ত তুমি?'
বতাহজাকে কঢ়িয়াই আনে
তোমাৰ গীতৰ স্মৃতি,
আৰু অসমী আইৰ বুকুৰে
নীৰৱে বিচাৰে
তোমাৰ সেই মায়াময় কণ্ঠ
হে সুধাকণ্ঠ,
এবাৰ মাথোঁ আহিবা-
গান হৈ নহয়,
সুৰ হৈ নহয়,
অসমৰ প্ৰতিখন হৃদয়ত
এটি অনুভৱ হৈ

আকৌ এবাৰ
গাই যাবা
অসমৰ মাটি,
অসমৰ মানুহ,
অসমীয়া প্ৰকৃতিৰ গান

আমি ৰৈ থাকিম
তোমাৰ সুৰৰ অপেক্ষাত,
তোমাৰ স্মৃতিৰ মাজত,
চিৰদিন, চিৰকাল।

## আকৌ সেউজীয়া হ'ব

**দীপজ্যোতি কাকতি**
কালুগাঁও, শিৱসাগৰ

বানে ধোৱা সৌ জেৰেঙাখন
আকৌ সেউজীয়া হ'ব,
কৃষকৰ ভঙা সপোনবোৰ
আকৌ সজাল হ'ব।

চকুলো মচি থিয় হ'ব কৃষক
পাহৰি বুকুৰ বিষ,
বোকা-পানী ফালি আকৌ মেলিব গজালি
জীৱন জীয়াই থকাৰ আশিস।

ৰ'দ-বৰষুণ আওকাণ কৰি
হাড়ভঙা শ্ৰমেৰে দিন নিয়াব,
কৃষকৰ উৰুঙা পঁজাটোত এদিন
সুখৰ বেলিয়ে ভুমুকি মাৰিব।

কান্দোনৰ সুৰবোৰ হেৰাই গৈ
ভাঁহি আহিব আঘোণৰ গান,
জেৰেঙাৰ বুকুতে লহপহকৈ
হাঁহিব আকৌ সোণোৱালী ধান।

নিৰাশাৰ ক'লা ডাৱৰ ফালি
প্ৰভাতৰ নতুন ৰেঙনি জিলিকিব,
বানে ধোৱা সৌ জেৰেঙাখন,
নিশ্চয় আকৌ সেউজীয়া হ'ব।

## জটিলতা

**বনজিত দাস**
ৰিহাবাৰী, বজালী

সৃষ্টিৰ জটিলতাৰ মাজত আছো নে -
নে আমিয়েই গঢ়িছোঁ,
জটিলতাৰ অদৃশ্য জাল?
মোৰ বুকুখন আছে বাৰু ক'ত
হাড় মঙহৰ এই দেহত,
নে অনুভৱৰ নিৰ্জন কোণত?
মই বাৰু ময়েই নে -
আইনাত দেখা কেৱল
এটি কায়া।
চিন্তাৰ আঁৰত কোনে জীয়াই থাকে
নিস্তব্ধতাৰ ভিতৰত
কোনে মোক প্ৰশ্ন কৰে?
সৃষ্টি যদি ৰহস্য
তেন্তে স্ৰষ্টা কোন -
মই,
নে মোৰ ভিতৰতেই
জন্ম লোৱা সেই
অদৃশ্য 'মই' টো?
বিচাৰিছো এখন মুক্ত আকাশ।

# দমদমা শতদল সাহিত্য সভা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবৰ্ষত শ্ৰদ্ধাৰ্ঘ্য




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসম সাহিত্য সভাৰ অন্যতম শাখা— দমদমা শতদল সাহিত্য সভাৰ উদ্যোগত বিশ্ববিশ্ৰুত সুধাকণ্ঠ তথা ভাৰতৰত্ন ড° ভূপেন হাজৰিকা দেৱৰ শতবৰ্ষ পূৰ্তি উপলক্ষে ৮ ছেপ্টেম্বৰত পৱিত্ৰ জন্ম দিনটোত তেখেতক সশ্ৰদ্ধ স্মৰণ কৰা হয়। পুৱাৰ ভাগত সাহিত্য সভাৰ কাৰ্যালয় তুলসী প্ৰসাদ ভৱনত কিংবদন্তি শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত এগছি বন্তি, ধূপ-ধুনা আৰু পুষ্পাঞ্জলি অৰ্পণেৰে এই পৱিত্ৰ জন্ম দিনটো উদ্যাপন কৰা হয়। বন্তি প্ৰজ্বালন কৰে মূল সভাৰ সম্পাদক বিনোদ চন্দ্ৰ মালাকাৰে। পুষ্পাঞ্জলি অৰ্পণ কৰে দমদমা শতদল সাহিত্য সভাৰ সভাপতি বাবুল চন্দ্ৰ দাসে আৰু উপস্থিত সদস্য-সদস্যা যাদৱ চন্দ্ৰ দাস, গণেশ চন্দ্ৰ কলিতা, পাৰ্বতী মালাকাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলে। অনুষ্ঠানৰ আঁত ধৰে সম্পাদক বিনোদ চন্দ্ৰ মালাকাৰে। পুষ্পাঞ্জলি অৰ্পণ কৰি সভাপতিয়ে বিশ্ববিশ্ৰুত শিল্পী গৰাকীৰ জীৱন দৰ্শনৰ ওপৰত চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষত ড° ভূপেন হাজৰিকা দেৱৰ অমৰ সৃষ্টি 'মানুহে মানুহৰ বাবে যদিহে অকণো নেভাৱে' এই গীতটি আটায়ে সমস্বৰে গাই অসমীয়াৰ প্ৰিয় শিল্পী গৰাকীৰ পৱিত্ৰ জন্ম শতবাৰ্ষিকী উদ্যাপনৰ সামৰণি পৰে।

প্ৰথম পৃষ্ঠাৰ পৰা

## শতবৰ্ষত সংগীতসূৰ্য ভূপেন হাজৰিকাক স্মৰণ

অতিথিৰূপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় - 'ইতিহাসৰ পাতত যুগে যুগে এনে কিছুমান বিৰল মহাপ্ৰাণ ব্যক্তিৰ আবিৰ্ভাৱ ঘটে, যিসকল কেৱল নিজৰ সময়তে প্ৰতিনিধি হৈ নাথাকে, বৰং তেনে ব্যক্তিত্বই সময়কেই নতুন অৰ্থ আৰু নতুন দিশ প্ৰদান কৰে। তেওঁলোকৰ জীৱন আৰু সৃষ্টিৰ দীপ্তি কালৰ সীমা অতিক্ৰ মকৰি মানুহৰ অন্তৰত চিৰদিন প্ৰজ্বলিত হৈ থাকে। ড° ভূপেন হাজৰিকা আছিল তেনে এক কালজয়ী সত্তা। মহান আত্মা, যাৰ কণ্ঠত অসমৰ মাটিৰ গোন্ধ, মহাবাহু ব্ৰহ্মপুত্ৰৰ সোঁতৰ গভীৰতা, ভাৰত মাতৃৰ স্পন্দন আৰু সমগ্ৰ মানৱতাৰ প্ৰতি অপাৰ মমতা একাকাৰ হৈ ধ্বনিত হৈছিল।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভূপেন হাজৰিকাৰ গীত আৰু অমিয়া সুৰে মানুহৰ অনুভৱক ভাষা দিছিল, সমাজৰ বিবেক জাগ্ৰত কৰিছিল আৰু বিভাজনৰ মাজত সমন্বয়ৰ সেতু নিৰ্মাণ কৰিছিল। গীত, কবিতা আৰু চলচ্চিত্ৰৰ সৃষ্টিশীলতা তথা সমাজৰ প্ৰতি গভীৰ দায়বদ্ধতাৰে তেওঁ অসমীয়া জাতিৰ সাংস্কৃতিক পৰিচয়ক বিশ্বদৰবাৰত এক অনন্য মৰ্যাদা প্ৰদান কৰিছিল। তেওঁৰ সৃষ্টিৰ সেই অনুৰণনত আজিও সময়ৰ বুকুত প্ৰতিধ্বনিত হৈ আছে। ই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মানৱতা, সমন্বয় আৰু শান্তিৰ বাণী কঢ়িয়াই লৈ গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

## জালুকবাৰী সমষ্টিৰ প্ৰতিটো নামঘৰলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বৰ মাহ প্ৰসাদ আৰু পিতলৰ শৰাই বিতৰণ

অসমীয়া ঐতিহ্য-পৰম্পৰাৰ অন্যতম প্ৰতীক পিতলৰ শৰাই প্ৰদান কৰি এই পবিত্ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই আমি আনন্দিত আৰু গৌৰৱান্বিত হোৱা বুলি ব্যক্ত কৰে। কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই ৰাইজৰ মাজত ভাষণ প্ৰসংগত কয় যে পবিত্ৰ ভাদ মাহৰ এই শুভক্ষণে সমগ্ৰ অসমবাসীৰ জীৱনলৈ শান্তি, সমৃদ্ধি, ভাতৃত্ববোধ আৰু সুখ-শান্তি কঢ়িয়াই আনক। গুৰুজনাৰ আদৰ্শ আৰু বৈষ্ণৱ সংস্কৃতিৰ মহান বাণীয়ে আমাৰ সমাজখনক অধিক সুন্দৰ, শান্তিপূৰ্ণ আৰু ঐক্যবদ্ধ কৰি তোলক তাৰে কামনা কৰে। হৰি নামৰ অমিয়া ধ্বনিৰে মুখৰিত হওক প্ৰতিটো নামঘৰ। শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ শ্ৰীচৰণত শতকোটি প্ৰণাম কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। ভাদ মাহৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকাও উপস্থিত আছিল।

## শিৱসাগৰত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত সন্মানিত কৰা হয় অৰ্জুন ভোগেশ্বৰ বৰুৱাক

অপৰিসীম অৱদানৰ স্বীকৃতিস্বৰূপে ১ লাখ টকাৰ এখন চৰকাৰী চেক প্ৰদান কৰে। এই অন্তৰংগ ঘৰুৱা অনুষ্ঠানটোত প্ৰথমগৰাকী অসমীয়া অৰ্জুন বঁটা বিজয়ীগৰাকীক শ্ৰদ্ধা জনোৱা হয়, যাৰ ১৯৬৬ চনৰ বেংকক এছিয়ান গেমছৰ ৮০০ মিটাৰৰ ঐতিহাসিক স্বৰ্ণ পদক ৰাজ্যখনৰ ক্ৰীড়া ইতিহাসৰ এক গৌৰৱময় গৌৰৱৰ স্তম্ভ হিচাপে পৰিগণিত হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ এই আৰ্থিক পুৰস্কাৰৰ উপৰিও, ৮৭ বছৰীয়া অভিজ্ঞ খেলুৱৈগৰাকীক গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ প্ৰতীকস্বৰূপে পৰম্পৰাগত অসমীয়া গামোচা আৰু জাপিৰে সম্ভাষণ জনোৱা হয়। এই স্বীকৃতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰি ভোগেশ্বৰ বৰুৱাই যুৱপ্ৰজন্মৰ মাজত শৃংখলা আৰু শাৰীৰিক সুস্থতাৰ পোষকতা কৰা তেওঁৰ আজীৱন বাৰ্তাটোক পুনৰ দোহাৰে। ক্ৰীড়া বিভাগৰ এই সম্বৰ্ধনাই ক্ৰীড়াবিদসকলক উৎসাহিত কৰাৰ লগতে অসমৰ পৰৱৰ্তী প্ৰজন্মৰ খেলুৱৈসকলক অনুপ্ৰাণিত কৰি যোৱাটো সুনিশ্চিত কৰাৰ দিশত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলিও তেওঁ উল্লেখ কৰে।

## ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ

আৰু শিক্ষক প্ৰশান্ত গোস্বামীয়ে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীয়ে সভাপতিৰ ভাষণত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে ড: ভূপেন হাজৰিকাৰ এগৰাকী শিল্পীয়ে নাছিল তেখেত বিশ্বৰত্ন হিচাপে গোটেই বিশ্বই জানিছিল। তেখেতৰ শিল্পী সত্তাক শ্ৰদ্ধা জনাবলৈ গোটেই বিশ্বজুৰি শতবাৰ্ষিকি উদ্‌যাপন কৰিছে। ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই ৰমেন ভৰালীয়ে এটি স্বৰচিত কবিতা পাঠ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰমেশ দাসেও ভাষণ দিয়ে। ইফালে কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বংশৰ ভুংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম জয়ন্তী উদ্‌যাপন কৰা হয়। আৰম্ভণিতে ড° হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি ও বন্তি প্ৰজ্বলন কৰে বংশৰ ভুংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই। ইয়াৰ পিছত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে হাজৰিকাৰ শিশু গীত ফুলনীৰ বাগিছা,সৰু বাগিছা, শীৰ্ষক গীতটি সুন্দৰভাৱে পৰিৱেশন কৰে। হাজৰিকাৰ গীতৰ ওপৰত নৃত্য, আলেখ্য, চিত্ৰাংকন, অনুষ্ঠিত কৰে। হাজৰিকাৰ ওপৰত অসমীয়া ভাষণ ৰাখে পঞ্চম শ্ৰেণীৰ ছাত্ৰী পৰিস্মিতা ৰাজবংশী আৰু ইংৰাজীত ভাষণ ৰাখে পঞ্চম শ্ৰেণীৰ ছাত্ৰী সৃষ্টি কন্দৰ্প বৈশ্যই। আমন্ত্ৰিত অতিথি হিচাপে অসম শিশু উত্তৰণ উন্নয়ন সমিতিৰ সচিব ৰবীন পাঠকে হাজৰিকাৰ ওপৰত জীৱন ভিত্তিক এক সাৱলিল বক্তব্য ৰাখে। অনুষ্ঠানত সহকাৰী শিক্ষক জিতুমণি বৈশ্য আৰু বিজয়া দাস ভৰালী উপস্থিত থাকে।

## ১২, ১৩ ছেপ্টেম্বৰত উৰিয়াগাঁও মজলীয়া বিদ্যালয়ৰ শতবাৰ্ষিকীৰ ব্যাপক প্ৰস্তুতি

গৌৰৱোজ্বল শতবৰ্ষ অনুষ্ঠানত উপস্থিত থাকিব পাৰে তাৰ বাবেই উদ্‌যাপন সমিতিয়ে আয়োজন কৰিলে সংবাদমেলৰ। উদ্‌যাপন সমিতিৰ হৈ সভানেত্ৰী দীপামণি শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী শ্যামলী শইকীয়া, প্ৰধান শিক্ষয়িত্ৰী ৰীমা বৰাই দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগা কাৰ্য্যসূচী সমূহৰ বিষয়ে সংবাদ মাধ্যমৰ যোগে অৱগত কৰে। শতবাৰ্ষিকী উপলক্ষে বিদ্যালয়ত এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰাৰ লগতে উদ্‌যাপন সমিতি, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰীসকলে দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগা কাৰ্যসূচীসমূহ সফল কৰিবলৈ উঠিপৰি লাগিছে। সংবাদমেলত ঘোষণা কৰা কাৰ্য্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰৰ পুৱা ৯ বজাত পতাকা উত্তোলন। মূল পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মৃন্ময় শৰ্মাই। ইয়াৰ পিছতে শতবৰ্ষ উপলক্ষে এশখন পতাকা উত্তোলন কৰিব অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলে। ১০ বজাত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান, ১০-৩০ বজাত বৃক্ষ ৰোপণ আৰু মানুহে মানুহৰ বাবে গীত পৰিৱেশন। ১১-৩০ বজাত প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ গুৰু প্ৰণাম আৰু অন্তৰংগ আলাপ অনুষ্ঠান। বিয়লি ৩ বজাত ন-পুৰণি ছাত্ৰীৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন শিক্ষয়িত্ৰী কুঞ্জলতা হাজৰিকাই আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট অভিনেত্ৰী চেতনা দাস। সন্ধ্যা ৬ বজাত এশ গছি বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব প্ৰাক্তন শিক্ষক চুনিধৰ বৰাই। ১৩ ছেপ্টেম্বৰৰ পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰিব বিধায়ক ৰূপক শৰ্মাই। দুপৰীয়া ১ বজাত উদ্‌যাপন সমিতিৰ সভানেত্ৰী দীপামণি শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত 'স্মৃতিগ্ৰন্থ 'শতবৰ্ষ স্মাৰক গ্ৰন্থ' উন্মোচন কৰিব বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° মনিকা শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কৃষি, জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকা। সন্মানীয় অতিথি হিচাপে বিধায়ক ক্ৰমে ৰূপক শৰ্মা, জিতু গোস্বামী উপস্থিত থকাৰ উপৰিও শিক্ষা বিষয়া বিভুতি চৰণ বৰুৱা, শংকৰ ছেত্ৰী উপস্থিত থাকিব। বিশিষ্ট অতিথি হিচাপে ৰূপহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ নাথ, প্ৰাক্তন অধ্যাপিকা তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী ড° অৰুন্ধতী মহন্ত, লেখক প্ৰদ্যুন্ন গোস্বামী, লেখিকা দীপালী মহন্ত গোস্বামীৰ উপৰিও অৱসৰপ্ৰাপ্ত আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থাকিব। সন্ধ্যা ৫-৩০ বজাত বন্তি প্ৰজ্বলনৰ পিছতেই নিশালৈ শিল্পী আৰোহন বৰদলৈৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠান স্থানীয় ৰাইজৰ লগতে প্ৰাক্তন ছাত্ৰীসকলৰ উপস্থিতি উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# কেৰিয়াৰ পইন্টৰ তৃতীয় বৰ্ষপূৰ্তি উদ্‌যাপন।



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা পুথিভঁৰালত কেৰিয়াৰ পইন্ট কম্পিউটাৰ এডুকেশ্বনৰ চেন্টাৰৰ তৃতীয় সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠানটি দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, খাগৰিজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা আমেইৰ চুলতানা লগতে সমাজকৰ্মী ৰাজা পাৰিক। এই বৰ্ষপূৰ্তি অনুষ্ঠানটিত কেৰিয়াৰ পইন্টৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। মানপত্ৰ সমূহ প্ৰদান কৰে উপস্থিত বিশিষ্ট ব্যক্তিসকলে। ইয়াৰ লগতে অনুষ্ঠানটিত শ্ৰেষ্ঠ শিক্ষক বঁটা ফাৰিয়া চুলতানা, ভিৰেন্দ কৌৰক প্ৰদান কৰাৰ উপৰিও শ্ৰেষ্ঠ ছাত্ৰ বঁটা ৰাজ মণ্ডলক প্ৰদান কৰা হয়। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী উদ্দেশ্য ভাষণ প্ৰদান কৰে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কয়- নগাঁৱৰ কেৰিয়াৰ পইন্টে বৰ্তমান যিটো কাম কৰি আছে সেইটো সমাজৰ বাবে এটা কল্যাণৰ কাম কৰিছে। এজন শিক্ষক হিচাপে মই এই কথা ক'ব পাৰো যে বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক বাদ দি আমাৰ সমাজখন অচল। লগতে গুণগত শিক্ষাৰ মানদণ্ড বৃদ্ধি কৰিবৰ কাৰণে আমি যথেষ্ট পৰিমানে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰিব লাগিব। সময়ত বিদ্যালয় মহাবিদ্যালয় শ্ৰেণীকোঠাসমূহ ডিজিটেলাইজ কৰা হৈছে। বেবেজীয়া হায়াৰছেকেণ্ডাৰীৰ কথাই কওঁক নগাঁও বিশ্ববিদ্যালয়ৰ ডিজিটেলাইজ শ্ৰেণীকোঠাত এতিয়া কেৱল নগাঁও চহৰৰ বা বেবেজীয়া অঞ্চলৰ চিন্তা ধাৰা- কথা বতৰাই আলোচনা কৰা নহয়। ইয়াত এতিয়া সমগ্ৰ বিশ্বৰ কথাই আলোচনা কৰিব পৰা এক সুবিধা গঢ় লৈ উঠিছে। সেয়েহে ক'বলৈ লোবা হৈছে যে বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক বাদ দি বৰ্তমান সমাজখন অচল। ইয়াৰ পাছতে আয়োজিত হয় নৃত্য গীতৰ লগতে সংগীত সন্ধিয়াত কণ্ঠদান কৰে তন্ময় শইকীয়া আৰু মিৰ্জু মিজানুৰে। দিনযোৰা কাৰ্যসূচীটিৰ আঁতধৰে সাংস্কৃতিক কৰ্মী জাগৃতি কলিতাই। অনুষ্ঠানত প্ৰতিষ্ঠানখনৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# নগাঁও জিলাত ভূমিকম্পৰ প্ৰস্তুতিৰ অনুশীলন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ সাতোটা ৰাজহ চক্ৰজুৰি 'ভূমিকম্পৰ প্ৰস্তুতিমূলক অনুশীলন' সফলতাৰে অনুষ্ঠিত হয়। সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ দুৰ্যোগ ব্যৱস্থাপনা দলৰ সৈতে সমন্বয় ৰাখি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মুক্তিযোদ্ধা বীৰবল কালিন্দী আদৰ্শ বিদ্যালয়, ৰূপহী ৰাজহ চক্ৰৰ আদৰ্শ বিদ্যালয়, চামগুৰি ৰাজহ চক্ৰৰ আমলখি হাইস্কুল, ধিং ৰাজহ চক্ৰৰ ম'হখুটি এম ই স্কুল, নগাঁও সদৰ ৰাজহ চক্ৰৰ বিদ্যাৰ্থী জাতীয় বিদ্যালয়, ৰহা ৰাজহ চক্ৰৰ বগৰীগুৰি প্ৰাথমিক বিদ্যালয় আৰু কলিয়াবৰ ৰাজহ চক্ৰৰ শলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই অনুশীলন চলোৱা হয়। এই ম'ক ড্ৰিলত সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়া, জিলা দুৰ্যোগ সঁহাৰি বাহিনীৰ সদস্যসকল, সোণাবিবাৰীৰ অগ্নি আৰু জৰুৰীকালীন সেৱাৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বিশেষকৈ ভূমিকম্প বা যিকোনো আকস্মিক দুৰ্যোগৰ সময়ত বিদ্যালয়সমূহৰ প্ৰস্তুতি শক্তিশালী কৰা, বিভিন্ন জৰুৰীকালীন বিভাগৰ মাজত সমন্বয় বৃদ্ধি কৰা আৰু প্ৰতিৰোধমূলক সঁহাৰি ব্যৱস্থা অধিক ফলপ্ৰসু কৰি তোলাৰ বাবেই এই কাৰ্যসূচী গ্ৰহণ কৰা হয় বুলি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত আয়ুক্ত দীপাংকৰ বৰ্মনে জনাইছে।

# নগাঁৱত AJYCPৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও ঃ** ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ (AJYCP) নগাঁও জিলা সমিতিৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে জন্ম শতবৰ্ষ উদ্‌যাপন কৰা হয়। সন্ধিয়া ৫ বজাত নগাঁও জিলা কাৰ্যালয় চৌহদত আয়োজিত এই অনুষ্ঠানত সুধাকণ্ঠ গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শতাধিক বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি AJYCP কেন্দ্ৰীয় শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া কয়, ভাৰত ৰত্ন, সুধাকণ্ঠ ভূপেন হাজৰিকা কেৱল এজন শিল্পী নহয়, তেওঁ অসমৰ জাতীয় চেতনাৰ প্ৰতীক। তেওঁৰ গীতত অসমৰ মাটিৰ গোন্ধ, মানুহৰ দুখ-যন্ত্ৰণা আৰু ঐক্যৰ বাৰ্তা আছে। তেওঁৰ জন্ম শতবৰ্ষত তেওঁক স্মৰণ কৰাটো আমাৰ নৈতিক দায়িত্ব।

# ধাৰাবাহিক 'নিশিগন্ধা'ৰ শুভাৰম্ভণি




**ধৃতিৰাজ দাস ঃ** প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টৰ বেনাৰত অহা ১৪ ছেপ্তেম্বৰৰ পৰা প্ৰতি সোমবাৰৰ পৰা শনিবাৰলৈ সন্ধিয়া ৬.৩০ বজাত ৰং চেনেলযোগে সম্প্ৰচাৰিত হ'ব এখনি সুন্দৰ ধাৰাবাহিক 'নিশিগন্ধা'। প্ৰেম, জেদ ভালপোৱা, ভুল বুজাবুজি, অহংকাৰ আদিকে মূল বিষয়বস্তু হিচাপে লৈ নিৰ্মিত এই ধাৰাবাহিকখনৰ চিত্ৰনাট্য ও সংলাপ জিণ্টু ভট্টাচাৰ্যৰ। কণিকা দাসে পৰিচালনা কৰা ধাৰাবাহিকখনত অভিনয় কৰিছে-দেৱজিত হাজৰিকা, মালা গোস্বামী, সিদ্ধাৰ্থ নিপন গোস্বামী, অৰ্ণৱ আয়ান, পল ফুকন, ৰূপজ্যোতি দাস, প্ৰিয়ংকা বৈশ্য, অলিম্পিকা শইকীয়া, বিমলিম ভুঞা, ডিলানী দেৱী, ভ্ৰান্তি মেধি, কঞ্চকী বৰঠাকুৰ (কুঁহি), ৰীমা বৰা, যুক্তা বৰা, অনিন্দিতা ৰুদ্ৰাজ, কুলদীপ গোস্বামী আদিৰ লগতে বহুকেইগৰাকী ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়ে। নিশিগন্ধা ধাৰাবাহিকখনৰ সহঃ পৰিচালনা-প্ৰিয়ম কাশ্যপ আৰু চুমি শইকীয়া। ৰূপসজ্জা-ডেনিছ শ্বাহিদৰ আৰু সম্পাদনা-ৰূপক হালৈৰ। কেমেৰা-সুৰুয ডেকা, সংগীত-ইন্দ্ৰ সুবেদীৰ। ৰং চেনেলৰ অইন ধাৰাবাহিক কেইখনৰ দৰে 'নিশিগন্ধা' ধাৰাবাহিকখনো দৰ্শকে মৰমেৰে আকোঁৱালি ল'ব বুলি পৰিচালক-সহঃপৰিচালকৰ লগতে ধাৰাবাহিকখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সমূহ শিল্পী, কলা-কুশলী যথেষ্ট আশাবাদী।

ম'বাইল ঃ ৮৬৩৮২-৫৪৬৩৯

# শিক্ষাবিদ পৰেশ বৈশ্যলৈ সম্বৰ্ধনা



**গুৱাহাটী ঃ** যোৱা ৭ ছেপ্তেম্বৰত বাক্সা জিলাৰ কুমাৰীকাটাত অৱস্থিত ৰাইজিং ষ্টাৰছ একাডেমী নামৰ আগশাৰীৰ বেচৰকাৰী বিদ্যালয়খনে শিক্ষাবিদ পৰেশ বৈশ্যক সম্বৰ্ধনা জনায়। শিক্ষাৰ উত্তৰণৰ হকে কৰি অহা সেৱাৰ স্বীকৃতি স্বৰূপে বিদ্যালয়খনে তেখেতক ফুলাম গামোচা, জাপি আৰু শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনাৰ উত্তৰত বৈশ্যই কয় যে জীৱনক সমৃদ্ধিশালী কৰিবলৈ শিক্ষাৰ বিকল্প নাই। তেওঁ আৰু কয় যে আমি যি মাধ্যমতেই শিক্ষাগ্ৰহণ নকৰোঁ কিয় মাতৃভাষাক অৱহেলা কৰাটো উচিত নহয়। বিদ্যালয় পৰ্যায়ৰ পৰা শিক্ষাৰ্থীসকলক শিপাৰ সৈতে পৰিচয় হৈ থাকিবলৈ বিদ্যালয়বিলাকে পৰিৱেশ দিয়া উচিত। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ, পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। পাছত তেওঁ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতো শৈক্ষিক দিশৰ ভালেমান কথা পাতে। একেদিনাই বৈশ্যই কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কুমাৰীকাটা ছোৱালী হাইস্কুলত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কাৰ্যসূচীৰ অংশ লয়।

# ডিব্ৰুগড়ত তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভা ৩৩ জনীয়া নতুন সমিতি গঠন




**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভাখনি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰৰ সভাপতি হেম কান্ত দিহিঙীয়াই। ইয়াৰ পিছতে চাও চেং ৰেণত বন্তি প্ৰজ্বলন আৰু মাংগলিক কাৰ্যসূচী সম্পন্ন কৰে কেন্দ্ৰৰ ম'লুংসকলে। সভাপতি হেম কান্ত দিহিঙীয়াৰ সভাপতিত্বত মূল সাধাৰণ সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে কেন্দ্ৰৰ প্ৰয়াত সদস্যসকলৰ লগতে শেহতীয়াকৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বিভিন্ন ঠাইত সংঘটিত বানপানীত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাত কেন্দ্ৰৰ সাধাৰণ সম্পাদক দুৰ্লভ গগৈয়ে সম্পাদকীয় প্ৰতিবেদন উত্থাপন কৰি বিগত কাৰ্যকালত কেন্দ্ৰটোৱে গ্ৰহণ কৰা বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক কাৰ্যসূচী তথা কেন্দ্ৰৰ সামগ্ৰিক কাম-কাজৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। সদস্যসকলে বিভিন্ন পৰামৰ্শ আৰু সংযোজন আগবঢ়োৱাৰ পিছত সম্পাদকীয় প্ৰতিবেদনখন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। কেন্দ্ৰৰ বাৰ্ষিক আয়-ব্যয়ৰ হিচাপৰ প্ৰতিবেদনো সভাই সৰ্বসন্মতিক্ৰমে অনুমোদন কৰে। সভাত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। সংগীত পৰিচালক গজেন্দ্ৰ চমুৱা আৰু জনপ্ৰিয় সংগীত শিল্পী ভূৱন গগৈয়ে গীত পৰিৱেশন কৰে। বিশিষ্ট নৃত্য পৰিচালিকা ৰুবি গগৈ সন্দিকৈৰ পৰিচালনাত কেইবাটিও নৃত্য পৰিৱেশন কৰা হয়। সভাত কেন্দ্ৰৰ উপদেষ্টা মহেন বুঢ়াগোহাঁই, তৰুণ গগৈ, কৃষ্ণ কান্ত চেতিয়া, কাৰ্যকৰী সভাপতি দীপক কুমাৰ চাংমা, উপ-সভাপতি ৰঞ্জিত বৰুৱা, মদন চন্দ্ৰ কোঁৱৰ, ম'লুং নৱ ফুকন, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক খগেন্দ্ৰনাথ চেতিয়া ফুকন, তাই সাহিত্য সভাৰ উপ-সভাপতি ইন্দ্ৰ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্যতম গুৰুত্বপূৰ্ণ সিদ্ধান্ত হিচাপে পৰৱৰ্তী তিনিটা কাৰ্যকালৰ বাবে হেম কান্ত দিহিঙীয়াক সভাপতি হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। দীপক কুমাৰ চাংমাই আৰু ৰঞ্জিত বৰুৱাক কাৰ্যকৰী সভাপতি, শশাংক নেওগ, মদন কোঁৱৰ আৰু জীৱন বড়াক উপ-সভাপতি, দুৰ্লভ গগৈক সাধাৰণ সম্পাদক, ধ্ৰুৱজ্যোতি গগৈ, দিগন্ত ফুকন আৰু প্ৰাঞ্জল গগৈক সহকাৰী সম্পাদক আৰু পুতুল দুৱৰাক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। মুঠ ৩৩ জনীয়া নতুন সমিতিখনে আগন্তুক কাৰ্যকালত তাই ভাষা-সাহিত্য, সংস্কৃতি, শিক্ষা আৰু সামাজিক ক্ষেত্ৰত কেন্দ্ৰটোৰ কাম-কাজ অধিক গতিশীল কৰি তোলাৰ লগতে তাই জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা আৰু সাংস্কৃতিক স্বকীয়তা সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ আশা প্ৰকাশ কৰা হয়।

# মুকালমুৱাৰ হিদিলাট্টাৰীৰ বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী বিদ্যালয়ত ব্যতিক্ৰমী ধৰণেৰে শিক্ষক দিৱস উদ্‌যাপন

**শংকৰ দাস, মুকালমুৱা ঃ** মুকালমুৱাৰ হিদিলাট্টাৰীৰ বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী বিদ্যালয়ত ব্যতিক্ৰমী ধৰণেৰে শিক্ষক দিৱস উদ্‌যাপন। শিক্ষকগুৰু সকলৰ চৰণ ধুই গুৰু পূজন অনুষ্ঠান। অনুষ্ঠানত উপস্থিত থাকি শিক্ষকৰ চৰণ ধুই সেৱা লয় বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। মুকালমুৱাৰ হিদিলাট্টাৰীৰ বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন। প্ৰজ্ঞা নামৰ সংস্থাটোৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত শিক্ষক দিৱস উপলক্ষে বিদ্যালয়খনত গুৰু পূজন অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানটোত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ১২ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ চৰণ ধুই সেৱা লয় আশীৰ্বাদ বিচাৰে। গুৰু পূজন অনুষ্ঠানত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাইও অংশগ্ৰহণ কৰি এগৰাকী শিক্ষাকৰ চৰণ ধুই সেৱা লয়। শিক্ষক দিৱসৰ দিনাই এনেদৰে ব্যতিক্ৰমী ভাৱে শিক্ষকসকলক সন্মান জনাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰজ্ঞা নামৰ সংস্থাটোৱে।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিৰিম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা